# লেনদেন লিপিবদ্ধকৰণ - I
# Recording of Transactions-I

**3**

প্ৰথম আৰু দ্বিতীয় অধ্যায়ত বিত্তীয় তথ্যপাতি প্ৰকাশ কৰাৰ উৎস হিচাপে, হিচাপ বিদ্যাৰ ক্ৰমবিকাশ আৰু গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে, হিচাপ বিদ্যাৰ মূল ধাৰণাসমূহে ব্যৱসায়ৰ লেনদেনসমূহ লিপিবদ্ধ কৰোঁতে কিদৰে পথ প্ৰদৰ্শকৰূপে সহায় কৰে আলোচনা কৰা হৈছিল, লগতে এই কথাও উনুকিওৱা হৈছিল যে হিচাপ বিদ্যাত লেনদেনবোৰ চিনাক্তকৰণ, বিশ্লেষণ, লিপিবদ্ধকৰণ, শ্ৰেণী বিভাজন আৰু সংক্ষিপ্তৰূপত সেইবোৰৰ প্ৰভাৱ আৰু বিত্তীয় তথ্যপাতিত আগ্ৰহী বিভিন্ন পক্ষবোৰক এই প্ৰভাৱৰ বিষয়ে অৱগত কৰোঁতে এটা ক্ৰম জড়িত হৈ থাকে।

এই অধ্যায়ত, হিচাপবিদ্যাৰ এই ক্ৰমৰ লগত জড়িত প্ৰতিটো পদক্ষেপৰ বিষয়ে আমি পুংখানুপুংখৰূপে আলোচনা কৰিমহঁক। লিপিবদ্ধ কৰিবলগীয়া লেনদেনবোৰৰ চিনাক্তকৰণ আৰু উৎস দলিলৰ প্ৰস্তুতকৰণ এই ক্ৰমৰ প্ৰথম পদক্ষেপ। এই লেনদেনবোৰ প্ৰথমতে প্ৰাথমিক প্ৰবিষ্টি বহী বা জাবেদাত লিপিবদ্ধ কৰা হয় আৰু তাৰ পিছত মুখ্য বহী বা খতিয়নত প্ৰস্তুত কৰা বিভিন্ন হিচাপবোৰলৈ স্থানান্তৰিত কৰা হয়।

**শিকাৰ উদ্দেশ্য**

*এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে ঃ*

- লেনদেনৰ প্ৰকৃতিৰ আৰু উৎস দলিলৰ বিষয়ে ব্যাখ্যা কৰিবলৈ;
- হিচাপৰ প্ৰমাণক কেনেদৰে প্ৰস্তুত কৰে ব্যাখ্যা কৰিবলৈ;
- হিচাপৰ সমীকৰণ প্ৰয়োগ কৰি লেনদেনৰ প্ৰভাৱ ব্যাখ্যা কৰিবলৈ;
- ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়ম প্ৰয়োগ কৰি লেনদেন লিপিবদ্ধ কৰিবলৈ;
- প্ৰাথমিক বহীৰ ধাৰণা ব্যাখ্যা কৰিবলৈ আৰু লেনদেন জাবেদাত লিপিবদ্ধ কৰিবলৈ;
- খতিয়নৰ ধাৰণা ব্যাখ্যা কৰিবলৈ আৰু জাবেদা প্ৰবিষ্টিবোৰক খতিয়ন হিচাপলৈ স্থানান্তৰিত কৰিবলৈ; সক্ষম হ'বা·

## 3.1. ব্যৱসায়িক লেনদেন আৰু উৎস দলিল (Business Transactions and Source Document)

বিগত পৰীক্ষাত ভাল শতাংশৰে উত্তীৰ্ণ হোৱাৰ পিচত, কথা দিয়া মতে দেউতাৰাই তোমাৰ বাবে এটা কম্পিউটাৰ কিনিবলৈ

বিচাৰিলে। দেউতাৰাৰ সৈতে কম্পিউটাৰটো কিনিবলৈ তুমিও গ'লা। ব্যৱসায়ীজনে কম্পিউটাৰটো আৰু লগতে দিয়া কেচ মেমোখনৰ বিনিময়ত দেউতাৰাই নগদ 35,000 টকা পৰিশোধ কৰিলে। নগদ টকাৰে কম্পিউটাৰ কিনাটো লেনদেনৰ এটা উদাহৰণ, য'ত দুটা বস্তুৰ পাৰস্পৰিক বিনিময় জড়িত ঃ (i) নগদ টকা পৰিশোধ আৰু (ii) এটা কম্পিউটাৰ ক্ৰয়। এতেকে লেনদেনত দুটা দিশ জড়িত হৈ থাকে সেই দুটা হ'ল 'দিয়া' আৰু 'লোৱা'। নগদ টকা পৰিশোধত 'দিয়া' দিশতো আৰু কম্পিউটাৰ ক্ৰয়ত 'লোৱা' দিশতো জড়িত হৈ আছে। গতিকে ব্যৱসায়িক লেনদেনবোৰ দুটা পক্ষৰ মাজত হোৱা আৰ্থিক প্ৰতিদানৰ বিনিময় য'ত দুটা দিশ প্ৰভাৱান্বিত হয় আৰু সেইবোৰ কমেও দুটা হিচাপত লিপিবদ্ধ কৰা হয়।

ব্যৱসায়িক লেনদেনবোৰ সাধাৰণতে উপযুক্ত নথিপত্ৰ যেনে— কেচ মেমো, চালান, বিক্ৰয় বিল, জমা প্ৰ-পত্ৰ, চেক দৰমহা প্ৰ-পত্ৰ ইত্যাদিৰে প্ৰমাণিত। এখন নথিপত্ৰ যিখনে এটা লেনদেন হৈ যোৱা বুলি প্ৰমাণিত কৰে সেইখনক উৎস দলিল বা প্ৰমাণক বোলা হয়। কেতিয়াবা, কোনো এটা শিতান যেনে— খুচুৰাৰ খৰচৰ বাবে কোনো প্ৰমাণক বা ৰচিদ নাথাকিবও পাৰে। তেনেক্ষেত্ৰত দৰকাৰী বিষয়বস্তু সন্নিবিষ্ট কৰি এখন প্ৰমাণক প্ৰস্তুত কৰি উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদন কৰাই ল'ব পাৰি। তেনেকুৱা ধৰণৰ সকলোবোৰ নথিপত্ৰ (প্ৰমাণক) ক্ৰম অনুসাৰে আৰু ক্ৰমিক নম্বৰেৰে সৈতে পৃথকভাৱে নথিত চামিল কৰা হয়। হিচাপ বহীত লিপিবদ্ধ কৰিবলগীয়া সকলো লেনদেন এই প্ৰমাণকবোৰক ভিত্তি কৰিহে লিখা হয়।

**লেনদেনৰ প্ৰমাণক**

প্ৰতিষ্ঠানৰ নাম ঃ

প্ৰমাণক নং ঃ

দিনাংক ঃ

ডেবিট হিচাপ ঃ

ক্ৰেডিট হিচাপ ঃ

পৰিমাণ (টকা) ঃ

ব্যাখ্যা ঃ

অনুমোদনক্ৰমে ঃ প্ৰস্তুতকাৰক ঃ

**চিত্ৰ 3.1 ঃ** *লেনদেন প্ৰমাণকৰ আৰ্হি / নমুনা দেখুওৱা হৈছে।*

### 3.1.1. *হিচাপৰ প্ৰমাণক প্ৰস্তুতকৰণ (Preparation of Accounting Vouchers)*

হিচাপৰ প্ৰমাণকবোৰক নগদ প্ৰমাণক, ডেবিট প্ৰমাণক, ক্ৰেডিট প্ৰমাণক, জাবেদা প্ৰমাণক ইত্যাদি বিভিন্ন ভাগত ভগাব পাৰি। হিচাপৰ প্ৰমাণকবোৰৰ কোনো নিৰ্দ্দিষ্ট আকাৰ নাই। সাধাৰণতে ব্যৱহাৰ হোৱা এখন 'সহজ লেনদেন প্ৰমাণকৰ' নমুনা 3.1 চিত্ৰত দেখুওৱা হৈছে।

যিকোনো পৰিস্থিতিতে, এই প্ৰমাণকবোৰ বছৰটোৰ হিচাপ পৰীক্ষা আৰু যাৱতীয় কৰ নিৰ্দ্ধাৰণ সম্পূৰ্ণ নোহোৱালৈকে ভালদৰে ৰাখিব লাগে। আজিকালি হিচাপপাতি কম্পিউটাৰৰ সহায়ত কৰা হয় আৰু যাবতীয় হিচাপ প্ৰমাণকবোৰ ডেবিট আৰু ক্ৰেডিট কৰিবলগীয়া হিচাপবোৰক কোড নং সৈতে দেখুওৱাই দিব পৰাকৈ প্ৰস্তুত কৰা হয়, যাতে দৰকাৰী লেনদেনবোৰ সহজে লিপিবদ্ধ কৰিব পাৰি। এটা লেনদেন য'ত কেৱল এটাকৈ ডেবিট আৰু ক্ৰেডিট থাকে তেনেকুৱা লেনদেনৰ বাবে প্ৰস্তুত কৰা প্ৰমাণকক লেনদেন প্ৰমাণক বোলা হয়। 3.1 চিত্ৰত তেনেকুৱা এখন প্ৰমাণকৰ নমুনা দেখুওৱা হৈছে। এখন প্ৰমাণক যিখনত বহুসংখ্যক ডেবিট/ক্ৰেডিট আৰু কেৱল মাত্ৰ এটা ক্ৰেডিট/ডেবিট থকা লেনদেনৰ বিষয়ে তথ্যপাতি থাকে, তেনেকুৱা প্ৰমাণকক যৌগিক প্ৰমাণক বোলা হয়। মিশ্ৰিত প্ৰমাণক (ক) ডেবিট প্ৰমাণক বা (খ) ক্ৰেডিট প্ৰমাণক হ'ব পাৰে; সেইবোৰৰ নমুনা 3.2 চিত্ৰত দেখুওৱা হৈছে।

**ডেবিট প্ৰমাণক**

প্ৰতিষ্ঠানৰ নাম ঃ

প্ৰমাণক নং ঃ দিনাংক ঃ

ক্ৰেডিট হিচাপ ঃ

পৰিমাণ ঃ

**ডেবিট হিচাপ**

| ক্ৰমিক নং | কোড | হিচাপৰ নাম | পৰিমাণ টকা | | বৰ্ণনা (বা ব্যাখ্যা) |
|---|---|---|---|---|---|
| | | | | | |
| | | | | | |
| | | | | | |

অনুমোদনক্ৰমে ঃ প্ৰস্তুতকাৰক ঃ

**ক্রেডিট প্রমাণক**

**প্রতিষ্ঠানৰ নাম ঃ**

প্রমাণক নং ঃ দিনাংক ঃ

ডেবিট হিচাপ ঃ

পৰিমাণ ঃ

**ক্রেডিট হিচাপ**

| ক্রমিক নং | কোড | হিচাপৰ নাম | পৰিমাণ টকা | বৰ্ণনা (বা ব্যাখ্যা) |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |

অনুমোদনক্রমে ঃ প্রস্তুতকাৰক ঃ

**চিত্র 3.2** *ডেবিট প্রমাণক আৰু ক্রেডিট প্রমাণকৰ নমুনা দেখুওৱা হৈছে*

বহুসংখ্যক ডেবিট আৰু ক্রেডিট সন্নিবিষ্ট লেনদেনক জটিল লেনদেন বোলা হয় আৰু তেনে লেনদেনৰ বাবে প্রস্তুত কৰি উলিওৱা হিচাপসম্পৰ্কীয় প্রমাণকক যৌগিক প্রমাণক/জাবেদা প্রমাণক বোলে। এটা কঠিন লেনদেনৰ বাবে প্রস্তুত কৰা প্রমাণকৰ আৰ্হি চিহ্ন 3.3 দেখুওৱা হৈছে।

**জাবেদা প্রমাণক**

প্রতিষ্ঠানৰ নাম ঃ

প্রমাণক নং ঃ দিনাংক ঃ

**ডেবিট প্রবিষ্টিবোৰ**

| ক্রমিক নং | কোড | হিচাপৰ নাম | পৰিমাণ টকা | বিৱৰণ (ব্যাখ্যা) |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |

**ক্রেডিট প্রবিষ্টিবোৰ**

| ক্রমিক নং | কোড | হিচাপৰ নাম | পৰিমাণ টকা | বিৱৰণ (ব্যাখ্যা) |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |

অনুমোদনক্রমে ঃ প্রস্তুতকাৰক ঃ

*চিত্র 3.3 জটিল লেনদেন প্রমাণকৰ নমুনা দেখুওৱা হৈছে*

হিচাপ সম্পৰ্কীয় প্ৰমাণকবোৰৰ আকৃতি ব্যৱসায় প্ৰতিষ্ঠানটোৰ প্ৰকৃতি, আৱশ্যকতা আৰু সুবিধাৰ ওপৰত নিৰ্ভৰ কৰে। এই প্ৰমাণকবোৰৰ কোনো নিৰ্দিষ্ট আৰ্হি নাই। বিভিন্ন প্ৰকাৰৰ প্ৰমাণকবোৰৰ সহজ চিনাক্তকৰণৰ উদ্দেশ্যে বিভিন্ন ৰঙৰ কাগজ আৰু বিভিন্ন ছাপৰ আখৰ ব্যৱহৃত হয়। ইতিমধ্যে আগৰ পৃষ্ঠাবোৰত বিভিন্ন প্ৰমাণকৰ আৰ্হি দেখুওৱা হৈছে। হিচাপ সম্পৰ্কীয় এখন প্ৰমাণকত তলত উল্লেখ কৰা আৱশ্যকীয় উপাদানসমূহ অন্তৰ্ভুক্ত হোৱাতো বাধ্যতামূলক।

- প্ৰমাণকবোৰ উৎকৃষ্ঠ মানদণ্ডৰ কাগজত লিখিত হ'ব লাগে।
- ব্যৱসায় প্ৰতিষ্ঠানৰ নাম প্ৰমাণকৰ ওপৰ ভাগত লিখা থাকিবই লাগিব।
- দিনাংক, লেনদেনৰ দিনটো উল্লেখিত হ'ব লাগে, লেনদেন লিপিবদ্ধ হোৱা দিনটো লিখাৰ দৰকাৰ নাই।
- প্ৰমাণকত উল্লেখিত নম্বৰটো ক্ৰমঅনুসৰি হ'ব লাগে।
- ডেবিট বা ক্ৰেডিট হ'ব লগীয়া হিচাপৰ নাম উল্লেখ থাকিব লাগে।
- ডেবিট বা ক্ৰেডিট কৰিবলগীয়া টকাৰ পৰিমাণটো সংখ্যাৰ লগতে আখৰেৰেও লিখিব লাগে।
- লেনদেনৰ বিৱৰণ হিচাপ অনুসৰি দিব লাগে।
- প্ৰমাণক প্ৰস্তুত কৰা ব্যক্তিজনে নিজৰ নামৰ লগতে স্বাক্ষৰো কৰিব লাগিব; আৰু
- প্ৰাধিকৃত ব্যক্তিজনৰ নাম আৰু স্বাক্ষৰ প্ৰমাণকখনত উল্লেখিত থাকিব লাগে।

## 3.2 **হিচাপৰ সমীকৰণ** (Accounting Equation)

হিচাপৰ সমীকৰণটোৱে দৰ্শাই যে ব্যৱসায় প্ৰতিষ্ঠানটোৰ সম্পত্তিৰ পৰিমাণ সদায় প্ৰতিষ্ঠানটোৰ দেনা আৰু মুলধনৰ (owners quity) পৰিমাণৰ সমান হোৱাটোকে বুজায়। সমীকৰণটো তলত দিয়া ধৰণৰ।

$A = L + C$

য'ত

A = Assets (সম্পত্তিসমূহ)

L = Liabilities (দেনাসমূহ)

C = Capital (মূলধন)

মূলধন (Capital) (C) আৰু দেনাৰ (Liabilities) (L) পৰিমাণ বিচাৰি উলিয়াবলৈ উপৰোক্ত সমীকৰণটোৰ উপজাতক (derivatives) হিচাবে তলত দিয়া ধৰণেও সমীকৰণটো লিখি উলিয়াব পাৰি।

(i) A - L = C

(ii) A - C = L

যিহেতু হিচাপৰ সমীকৰণটোৱে উদ্বত্ত মিলন পত্ৰৰ বিভিন্ন উপাদানবোৰৰ (সমূহৰ) মাজত থকা প্ৰধান সম্পৰ্কটো বৰ্ণনা কৰে, এই সমীকৰণটোক উদ্বত্ত মিলন পত্ৰৰ সমীকৰণো বোলা হয়। উদ্বত্ত মিলন পত্ৰৰ নামটোৱেই বুজায় যে এইখনেই সম্পত্তি, দেনা আৰু মূলধন বিবৃত্তি।

যিকোনো সময়ত ব্যৱসায়ৰ সম্পদসমূহৰ পৰিমাণ সেইবোৰৰ যোগানকাৰীসকলক দাবীৰ (claim) সমান হ'বই। প্ৰতিষ্ঠানৰ মালিকসকল আৰু প্ৰতিষ্ঠানৰ বাহিৰৰ বিভিন্ন পক্ষই (outsiders) এই সম্পদবোৰৰ যোগান ধৰে। মালিকপক্ষৰ দাবীক (claim of proprietors) মূলধন আৰু বাহ্যিক পক্ষৰ দাবীক (outsiders' claim) দেনা বোলে। সমীকৰণটোৰ প্ৰতিটো উপাদান উদ্বৃত্ত মিলন পত্ৰৰ এটা অংশ, যিবোৰে এটা নিৰ্দিষ্ট দিনত ব্যৱসায় প্ৰতিষ্ঠানটোৰ আৰ্থিক অৱস্থাৰ বিষয়ে আমাক অৱগত কৰায়। যেতিয়া আমি লেনদেনবোৰ বিশ্লেষণ কৰো, তেতিয়া আচলতে আমি প্ৰতিষ্ঠানটোৰ উদ্বৃত্ত মিলনপত্ৰখন কেনেকৈ প্ৰভাবিত হৈছে তাক জানিবলৈ চেষ্টা কৰো।

উদ্বৃত্ত মিলন পত্ৰৰ সম্পত্তিৰ ফালটোত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ সম্পত্তিবোৰৰ তালিকাখন থাকে। দেনা ফালটোত মালিক পক্ষ আৰু বাহ্যিক পক্ষবোৰৰ দাবীসমূহৰ তালিকাখন থাকে; অৰ্থাৎ ব্যৱসায় প্ৰতিষ্ঠানটোৱে কি ধৰণে ধৰুৱা হৈ আছে। সম্পত্তিফালৰ আৰু দেনাৰ ফালটো সমান হোৱাটো এটা অনস্বীকাৰ্য বাস্তৱ আৰু ইয়ে হিচাপৰ সমীকৰণটোক উদ্বৃত্ত মিলনপত্ৰৰ সমীকৰণো বোলাটোক সাব্যস্ত কৰে।

উদাহৰণস্বৰূপে ৰোহিতে 5,00,000 টকা মূলধনেৰে, ব্যৱসায় আৰম্ভ কৰিলে। হিচাপবিদ্যাৰ ফালৰ পৰা চালে ব্যৱসায় প্ৰতিষ্ঠানটোৰ সম্পত্তি হ'ল নগদ 5,00,000 টকা। এই সম্পত্তিৰ উৎস হ'ল ৰোহিতে (মালিকে) মূলধন হিচাপে ব্যৱসায় প্ৰতিষ্ঠানক দিয়া বৰঙণি 5,00,000 টকা।

(এই গোটেই অধ্যায়টোতে এই উদাহৰণটোক আমি প্ৰথম উদাহৰণ বুলি উল্লেখ কৰিমহঁক।)

যদি আমি এই তথ্যপাতিখিনিক সম্পদ আৰু উৎসৰ সমানতাৰ আকাৰত দেখুওৱাও, সেইখিনি তলত দিয়া ধৰণৰ হ'ব।

**ৰোহিতৰ বহীত**

**......... তাৰিখত উদ্বৃত্ত মিলন পত্ৰ**

| দেনা | পৰিমাণ টকা | সম্পত্তি | পৰিমাণ টকা |
|---|---|---|---|
| মূলধন | 5,00,000 | নগদ টকা | 5,00,000 |
| | 5,00,000 | | 5,00,000 |

উপৰোক্ত উদ্বৃত্ত মিলন পত্রত, ব্যৱসায় প্রতিষ্ঠানটোক মুঠ সম্পত্তিৰ পৰিমাণ, মুঠ দেনাৰ পৰিমাণৰ সমান। যিহেতু ব্যৱসায় প্রতিষ্ঠানটোৱে ব্যৱসায় আৰম্ভ কৰা নাই, আৰু কোনো লাভ অৰ্জন কৰা নাই। সেইবাবে প্রতিষ্ঠানটোত বিনিয়োগ কৰা টকাৰ পৰিমাণ এতিয়াও 5,00,000 টকা। যদি লাভ অৰ্জন কৰা হয় তেনেহলে প্রতিষ্ঠানত বিনিয়োগ কৰা টকাৰ পৰিমাণ বাঢ়িব, আনহাতে যদি প্রতিষ্ঠানৰ লোকচান হয় তেনেহলে বিনিয়োগ কৰা টকাৰ পৰিমাণ কমিব।

এতিয়া, আমি উদাহৰণ 1ত সন্নিবিষ্ট বিভিন্ন লেনদেন আৰু সেইবোৰৰ প্রভাববোৰ বিশ্লেষণ কৰিম আৰু দেখিবা হিচাপৰ সমীকৰণৰ দুয়োটা দিশ সদায় সমান হয়।

*উদাহৰণ ঃ 1*

1. নগদ 4,80,000 টকাৰে ষ্টেট বেংক অফ ইণ্ডিয়াত এটা বেংক হিচাপ খোলা হল।
   লেনদেনৰ বিশ্লেষণ ঃ এই লেনদেনটোৱে বেংকত টকাৰ পৰিমাণ বৃদ্ধি (সম্পত্তি) আৰু নগদ টকাৰ (সম্পত্তি) হ্রাস ঘটালে।

2. 60,000 টকাৰ আচবাবপত্র কিনা হ'ল আৰু একেদিনাই চেক বিলি কৰা হ'ল।
   লেনদেনৰ বিশ্লেষণ ঃ এই লেনদেনটোৱে আচবাবপত্রৰ (সম্পত্তি) বৃদ্ধি আৰু বেংকত থকা টকাৰ পৰিমাণ হ্রাস কৰিলে।

3. মেচাৰ্চ ৰামজী লালৰ পৰা ব্যৱসায়ৰ বাবে ক্রয় কৰা 1,25,000 মুল্যৰ কলকব্জাৰ বাবদ নগদ 10,000 টকা অগ্রিম ধন হিচাবে দিয়া হ'ল।
   লেনদেনৰ বিশ্লেষণ ঃ এই লেনদেনটোৱে 1,25,000 টকাৰে কলকব্জাৰ (সম্পত্তি) বৃদ্ধি, 10,000 টকাৰ হ্রাস আৰু 1,15,000 টকাৰে দেনাৰ পৰিমাণ (মেচাৰ্চ ৰামজীলাল পাওনাদাৰ হিচাবে) বৃদ্ধি ঘটালে।

4. মেচাৰ্চ সুমিত ট্ৰেডাৰ্চৰ পৰা 55,000 টকা মুল্যৰ সামগ্রী ক্রয় কৰা হ'ল।
   লেনদেনৰ বিশ্লেষণ ঃ এই লেনদেনটোৱে 55,000 টকাৰে সামগ্রীৰ (সম্পত্তি) বৃদ্ধি আৰু 55,000 টকাৰে দেনাৰ (মেচাৰ্চ সুমিত ট্ৰেডাৰ্চ-পাওনদাৰ হিচাবে) বৃদ্ধি ঘটালে।

5. 25,000 টকা মূল্যৰ সামগ্রী ৰজনী এন্টাৰপ্রাইজক 35,000 টকা মূল্যত বিক্রী কৰা হ'ল।
   লেনদেনটোৰ বিশ্লেষণ; এই লেনদেনত 25,000 টকাৰ সামগ্রীৰ (সম্পত্তি) হ্রাস, 35,000 টকাৰে সম্পত্তিৰ বৃদ্ধি (ৰজনী এন্টাৰপ্রাইজ দেনাদাৰ হিচাবে) আৰু 10,000 টকাৰে মূলধনৰ (লাভ) বৃদ্ধি ঘটালে।

   উপৰোক্ত লেনদেনবোৰৰ বিশ্লেষণৰ পৰা উলিওৱা হিচাপৰ সমীকৰণটো চমুকৈ, তলত

উল্লেখ কৰা উদ্বৃত্ত মিলন পত্রখনৰ সহায়ত প্ৰকাশ কৰিব পাৰি।

উদ্বৃত্ত মিলন পত্র

..... তাৰিখত

| দেনা | পৰিমাণ টকা | সম্পত্তি | পৰিমাণ টকা |
|---|---|---|---|
| পাওনাদাৰ | 1,70,000 | নগদ টকা | 10,000 |
| মূলধন | 5,10,000 | বেংক | 4,20,000 |
| | | দেনাদাৰ | 35,000 |
| | | মজুত পণ্য | 30,000 |
| | | আচবাব পত্র | 60,000 |
| | | কলকব্জা | 1,25,000 |
| | 6,80,000 | | 6,80,000 |

হিচাপৰ সমীকৰণৰে বুজালে —

সম্পত্তি = দেনা + মূলধন

6,80,000 টকা = 1,70,000 টকা + 5,10,000 টকা

## 3.3 ডেবিট আৰু ক্ৰেডিটৰ ব্যৱহাৰ (Using Debit and Credit)

আগতেই কৈ অহা হৈছে যে প্ৰতিটো লেনদেনতেই ‘দিয়া’ আৰু ‘লোৱা’ এই দুয়োটা দিশ নিহিত হৈ থাকে। দ্বি-প্ৰবিষ্টি হিচাপ ৰক্ষণ প্ৰণালীত প্ৰতিটো লেনদেনে কমেও দুটা হিচাপক প্ৰভাৱান্বিত কৰে আৰু প্ৰতিটো লেনদেন কমেও দুটা হিচাপৰ মাধ্যমেৰে লিপিবদ্ধ কৰা হয়। প্ৰতিটো লেনদেন লিপিবদ্ধ কৰোতে যিমান পৰিমাণৰ টকা ডেবিট কৰা হ'ব, সম-পৰিমাণৰ টকা ক্ৰেডিট হ'ব লাগিবই। হিচাপবিদ্যাত লেনদেনবোৰ হিচাপ এটাৰ বাওঁফালে নে সোঁফালে লিখা হ'ব তাক ‘ডেবিট’ আৰু ‘ক্ৰেডিটে’হে দেখুৱায়। সহজ অৰ্থত এটা হিচাপ দেখাত ইংৰাজী ‘T’ আখৰটোৰ নিচিনা। এই আকাৰৰ বাবেই ইয়াক ‘T’ আকাৰৰ হিচাপ বোলা হয়। (3.4 চিত্ৰ চোৱা)। লক্ষ্য কৰা ‘T’ আৰ্হিৰ এই হিচাপটোত, হিচাপটোৰ ‘হ্ৰাস’ আৰু ‘বৃদ্ধি’ লিপিবদ্ধ কৰিবলৈ এটা ‘বাওঁফাল’ আৰু এটা ‘সোঁফাল’ আছে। এটা হিচাপকালৰ শেষত প্ৰতিটো বিষয়ৰ শেষ স্থিতি কেনেকুৱা হ'ব তাক নিৰ্দ্ধাৰণ

বিভিন্ন লেনদেনবোৰৰ হিচাপৰ সমীকৰণৰ ওপৰত প্ৰভাৱ তলত দিয়া বিশ্লেষণ তালিকাখনৰ দ্বাৰা চমুকৈ দেখুওৱা হৈছে।

| লেনদেন নং | নগদ টকা | বেংকত জমা | সম্পত্তি দেনাদাৰ | বস্তু-বাহানি মজুতপণ্য | আচবাবপত্ৰ | কলকব্জা | মুঠ সম্পত্তি | দেনা | মূলধন | মুঠ |
|---|---|---|---|---|---|---|---|---|---|---|
| 1. | 5,00,000 | | | | | | 5,00,000 | | 5,00,000 | 5,00,000 |
| লেনদেনটো হৈ | (4,80,000) | 4,80,000 | | | | | --------- | | --------- | --------- |
| যোৰাৰ পিচত | 20,000 | 4,80,000 | | | | | 5,00,000 | | 5,00,000 | 5,00,000 |
| সমীকৰণ | | | | | | | | | | |
| 2. | -------- | (60,000) | | | 60,000 | | --------- | | --------- | --------- |
| লেনদেনটো হৈ | 20,000 | 4,20,000 | | | 60,000 | | 5,00,000 | | 5,00,000 | 5,00,000 |
| যোৰাৰ পিচত | | | | | | | | | | |
| সমীকৰণ | | | | | | | | | | |
| 3. | [10,000] | | | | | 1,25,000 | 1,15,000 | 1,15,000 | --------- | 1,15,000 |
| লেনদেনটো হৈ | 10,000 | 4,20,000 | | | 60,000 | 1,25,000 | 6,15,000 | 1,15,000 | 5,00,000 | 6,15,000 |
| যোৰাৰ পিচত | | | | | 55,000 | | 55,000 | 55,000 | | 55,000 |
| সমীকৰণ | | | | | | | | | | |
| 4. | 10,000 | 4,20,000 | | 55,000 | 60,000 | 1,25,000 | 6,70,000 | 1,70,000 | 5,00,000 | 6,70,000 |
| লেনদেনটো হৈ | | | | | | | | | | |
| যোৰাৰ পিচ | | | | | | | | | | |
| 5. | | | 35,000 | [25,000] | | | 10,000 | | 10,000 | 10,000 |
| চূড়ান্ত সমীকৰণ | 10,000 | 4,20,000 | 35,000 | 30,000 | 60,000 | 1,25,000 | 6,80,000 | 1,70,000 | 5,10,000 | 6,80,000 |

কৰাত ইয়ে সহায় কৰে। উদাহৰণ স্বৰূপে, এইটো যদি এজন গ্ৰাহকৰ হিচাপ হয়, বিক্ৰী হোৱা সকলো সামগ্ৰী হিচাপটোৰ বাঁওফালে (ডেবিট), বাহ্যিক আৰু তেওঁৰ পৰা পোৱা সকলো প্ৰাপ্তি হিচাপটোৰ সোফালে (ক্ৰেডিট) দেখুওৱা হ'ব। দুয়োটা ফালৰ যোগফল পাৰ্থক্যক উদ্বৃত্ত বোলা হয় আৰু এই উদ্বৃত্তহে গ্ৰাহকজনৰ পৰা পাবলগীয়া বা তেওঁক দিবলগীয়া টকাৰ পৰিমাণ সুচাব। 'T' আকাৰৰ হিচাপৰ, বাওঁফালটোক 'ডেবিট দিশ'(সংক্ষেপে ডেঃ/Dr.) আৰু সোফালটোক 'ক্ৰেডিট দিশ' (সংক্ষেপে ক্ৰেঃ/Cr.)বোলা হয়। এটা হিচাপৰ বাওঁফালে টকাৰ পৰিমাণ লিখা মানে হিচাপটোক 'ডেবিট' কৰা আৰু সোফালে টকাৰ পৰিমাণ লিখা মানে হিচাপটোক ক্ৰেডিট কৰা বোলে।

তলত লিখা কথা খিনি 3.3.1ৰ ওপৰত হ'ব।

**হিচাপৰ নাম**

| (বাওঁফাল) | (সোফাল) |
|---|---|
| | |

চিত্ৰ ঃ 3. 4 'T' *আকাৰৰ হিচাব এটা দেখুওৱা হৈছে।*

### 3.3.1. *ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়ম (Rules of Debit and Credit)*

লেনদেনসমূহ লিপিবদ্ধ কৰাৰ উদ্দেশ্যেৰে সকলোবোৰ হিচাপক পাঁচটা শ্ৰেণীত ভাগ কৰা হয় ঃ (ক) সম্পত্তি (খ) দেনা (গ) মূলধন (ঘ) খৰচ/লোকচান, আৰু (ঙ) আয়/লাভ।

এই হিচাপবোৰত হোৱা পৰিৱৰ্তন লিপিবদ্ধ কৰিবলৈ দুটা মূল নিয়ম মানি চলা হয়।

(1) সম্পত্তি/খৰচ (লোকচান) হিচাপত হোৱা পৰিৱৰ্তন লিপিবদ্ধ কৰিবলৈ ঃ

(i) "সম্পত্তিৰ বৃদ্ধি হ'লে ডেবিট কৰা হয় আৰু হ্ৰাস হ'লে ক্ৰেডিট কৰা হয়।"

(ii) খৰচ/লোকচানৰ বৃদ্ধি হ'লে ডেবিট কৰা হয় আৰু হ্ৰাস হ'লে ক্ৰেডিট কৰা হয়।

(2) দেনা, মূলধন আৰু আয় (লাভ) হিচাপত হোৱা পৰিৱৰ্তন লিপিবদ্ধ কৰিবলৈ

(i) "দেনাৰ বৃদ্ধি হ'লে ক্ৰেডিট আৰু দেনাৰ হ্ৰাস হ'লে ডেবিট কৰা হয়।"

(ii) "মূলধনৰ বৃদ্ধি হ'লে ক্ৰেডিট আৰু মূলধনৰ হ্ৰাস হ'লে ডেবিট কৰা হয়।"

(iii) "আয়/লাভৰ বৃদ্ধি হ'লে ক্ৰেডিট আৰু আয়/লাভৰ হ্ৰাস হ'লে ডেবিট কৰা হয়।"

বিভিন্ন শ্ৰেণীৰ হিচাপৰ ক্ষেত্ৰত প্ৰযোজ্য নিয়মবোৰ সংক্ষিপ্তভাবে তলত দিয়া হ'ল ঃ

## ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়ম

**সম্পত্তি**

| ডেবিট | ক্ৰেডিট |
|---|---|
| (বৃদ্ধি) + | (হ্ৰাস) − |

**দেনা**

| ডেবিট | ক্ৰেডিট |
|---|---|
| (হ্ৰাস) − | (বৃদ্ধি) + |

**মূলধন**

| ডেবিট | ক্ৰেডিট |
|---|---|
| (হ্ৰাস) − | (বৃদ্ধি) + |

**খৰছ/লোকচান**

| ডেবিট | ক্ৰেডিট |
|---|---|
| (বৃদ্ধি) + | (হ্ৰাস) − |

**আয়/লাভ**

| ডেবিট | ক্ৰেডিট |
|---|---|
| (হ্ৰাস) − | (বৃদ্ধি) + |

ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়মবোৰ কেনেদৰে প্ৰয়োগ কৰা হয় তাক শিকাত উদাহৰণৰ লেনদেনেবোৰে তোমাক সহায় কৰিব। ওপৰত উল্লেখিত বিশ্লেষণ তালিকাখন সতৰ্কতাৰে নিৰীক্ষণ কৰা আৰু পিছৰ লেনদেনটো বুজিবলৈ চেষ্টা কৰাৰ আগতে নিশ্চিত হোৱা যে তুমি আগৰটো ভালদৰে বুজি পাইচা। বিভিন্ন শ্ৰেণীৰ ঘটনা ব্যাখ্যা কৰিবলৈ, তিনিটা লেনদেন উপৰুৱাকৈ সন্নিবিষ্ট কৰা হৈছে।

1. **ৰোহিতে নগদ 5,00,000 টকাৰে ব্যৱসায় আৰম্ভ কৰিলে।**

   ***লেনদেনৰ বিশ্লেষণ*** ঃ লেনদেনটোৱে এহাতে নগদ টকা বৃদ্ধি কৰিছে আনহাতে মূলধনৰ বৃদ্ধি ঘটাইছে। সম্পত্তিৰ বৃদ্ধি ডেবিট কৰা হয় আৰু মূলধনৰ বৃদ্ধি ক্ৰেডিট কৰা হয়। গতিকে নগদ টকা ডেবিট আৰু ৰোহিতৰ মূলধন ক্ৰেডিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

**নগদ টকা হিচাপ**

| | |
|---|---|
| (1) 5,00,000 | |

**মূলধন হিচাপ**

| | |
|---|---|
| | (1) 5,00,000 |
| | (6) 10,000 |

**2. 4,80,000 টকাৰে বেংকত এটা হিচাপ খোলা হ'ল।**

***লেনদেনৰ বিশ্লেষণ*** **ঃ** লেনদেনটোৱে এহাতে বেংকত নগদ টকা বঢ়াইছে আনহাতে হাতত থকা নগদ টকাৰ হ্ৰাস ঘটাইছে। সম্পত্তিৰ বৃদ্ধি ডেবিট আৰু সম্পত্তিৰ হ্ৰাস ক্ৰেডিট কৰা হয়। গতিকে বেংক হিচাপ ডেবিট আৰু নগদ টকা হিচাপ ক্ৰেডিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

**নগদ টকা হিচাপ**

| | |
|---|---|
| (1) 5,00,000 | **(2) 4,80,000** |

**বেংক হিচাপ**

| | |
|---|---|
| **(2) 4,80,000** | |

**3. 60,000 টকাৰ আচবাব পত্ৰ কিনা হ'ল আৰু চেক প্ৰদান কৰা হ'ল।**

***লেনদেনৰ বিশ্লেষণ*** **ঃ** এই লেনদেনটোৱে এহাতে আচবাব পত্ৰৰ (সম্পত্তি) বৃদ্ধি কৰিছে আনহাতে বেংকত থকা টকাৰ পৰিমাণ (সম্পত্তি) হ্ৰাস কৰিছে। সম্পত্তিৰ বৃদ্ধি ডেবিট আৰু হ্ৰাস ক্ৰেডিট কৰা হয়। গতিকে আচবাব পত্ৰ হিচাপ ডেবিট আৰু বেংক হিচাপ ক্ৰেডিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

**আচবাব পত্ৰ হিচাপ**

| | |
|---|---|
| **(3) 60,000** | |

**বেংক হিচাপ**

| | |
|---|---|
| (2) 4,80,000 | **(3) 60,000** |

**4. ব্যৱসায়ৰ বাবে 1,25,000 টকাৰ কলকব্জা ৰামজী লালৰ পৰা ক্ৰয় কৰা হ'ল আৰু তেওঁক অগ্ৰিম 10,000 টকা দিয়া হ'ল।**

***লেনদেনৰ বিশ্লেষণ*** **ঃ** এই লেনদেনটোৱে 1,25,000 টকা মূল্যৰ কলকব্জাৰ (সম্পত্তি) বৃদ্ধি ঘটাইছে, নগদ 10,000 টকা হ্ৰাস কৰিছে আৰু 1,15,000 টকাৰ দেনা (ৰামজী লাল-পাওঁনাদাৰ হিচাপে) বৃদ্ধি কৰিছে। সম্পত্তিৰ বৃদ্ধি ডেবিট আৰু হ্ৰাস ক্ৰেডিট কৰা হয়। আনহাতে দেনাৰ বৃদ্ধি ক্ৰেডিট কৰা হয়। গতিকে কলকব্জা হিচাপ ডেবিট কৰি লগতে নগদ টকা হিচাপ আৰু ৰামজী লালৰ হিচাপ ক্ৰেডিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

**নগদ টকা হিচাপ**

| | |
|---|---|
| (1) 5,00,000 | (2) 4,80,000 |
| | **(4) 10,000** |

**কলকব্জা হিচাপ**

| | |
|---|---|
| **(4) 1,25,000** | |

রামজী লাল হিচাপ

| | |
|---|---|
| | (4) 1,15,000 |

**5. সুমিত ট্ৰেডাৰ্চৰ পৰা 55,000 টকাৰ বস্তু-বাহানি ক্ৰয় কৰা হ'ল।**

***লেনদেনৰ বিশ্লেষণ*ঃ** এই লেনদেনটোৱে ক্ৰয়ৰ (খৰচ) বৃদ্ধি ঘটাইছে আৰু 55,000 টকাৰে দেনাৰ (সুমিত ট্ৰেডাৰ্চ - পাওঁনাদাৰ হিচাপে) বৃদ্ধি ঘটাইছে। খৰছৰ বৃদ্ধি ডেবিট আৰু দেনাৰ বৃদ্ধি ক্ৰেডিট কৰা হয়। গতিকে ক্ৰয় হিচাপ ডেবিট আৰু সুমিত ট্ৰেডাৰ্চৰ হিচাপ ক্ৰেডিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

ক্ৰয় হিচাপ

| | |
|---|---|
| (5) 55,000 | |

সুমিত ট্ৰেডাৰ্চ হিচাপ

| | |
|---|---|
| | (5) 55,000 |

**6. 25,000 টকা মূল্যৰ বস্তু-বাহানি ৰজনী এণ্টাৰপ্ৰাইজক 35,000 টকাত বিক্ৰী কৰা হ'ল।**

***লেনদেনৰ বিশ্লেষণ*ঃ** এই লেনদেনটোৱে বিক্ৰয়ৰ (আয়) আৰু সম্পত্তিৰ (ৰজনী এণ্টাৰপ্ৰাইজ দেনাদাৰ হিচাবে) বৃদ্ধি ঘটাইছে। সম্পত্তিৰ বৃদ্ধি ডেবিট আৰু আয়ৰ বৃদ্ধি ক্ৰেডিট কৰা হয়। গতিকে বিক্ৰয় হিচাপ ক্ৰেডিট আৰু ৰজনী এণ্টাৰপ্ৰাইজ হিচাপ ডেবিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

বিক্ৰয় হিচাপ

| | |
|---|---|
| | (6) 35,000 |

ৰজনী এণ্টাৰপ্ৰাইজ হিচাপ

| | |
|---|---|
| (6) 35,000 | |

**7. মাহটোৰ বাবে গুদামৰ ভাড়া 25,000 টকা দিয়া হ'ল।**

***লেনদেনৰ বিশ্লেষণ*ঃ** গুদামৰ ভাড়া এটা খৰচ আৰু এই খৰচ বৃদ্ধি হোৱা বাবে ভাড়া হিচাপ ডেবিট কৰা হ'ব। আনহাতে নগদ টকা হ্ৰাস হোৱা বাবে নগদ টকা হিচাপ ক্ৰেডিট কৰা হ'ব।

ভাড়া হিচাপ

| | |
|---|---|
| (7) 2,500 | |

নগদ টকা হিচাপ

| | |
|---|---|
| (1) 5,00,000 | (2) 4,80,000 |
| | (4) 10,000 |
| | **(7) 2,500** |

8. **অফিচৰ কৰ্মচাৰীক 5,000 টকা দৰমহা দিয়া হ'ল।**

***লেনদেনৰ বিশ্লেষণ*ঃ** দৰমহা এটা খৰচ আৰু এই খৰচ বৃদ্ধি হোৱা বাবে দৰমহা হিচাপ ডেবিট কৰা হ'ব। আনহাতে নগদ টকা হ্ৰাস হোৱা বাবে নগদ টকা হিচাপ ক্ৰেডিট কৰা হ'ব।

**দৰমহা হিচাপ**

| | |
|---|---|
| **(8) 5,000** | |

**নগদ টকা হিচাপ**

| | |
|---|---|
| (1) 5,00,000 | (2) 4,80,000 |
| | (4) 10,000 |
| | (7) 2,500 |
| | **(8) 5,000** |

9. **ৰজনী এণ্টাৰপ্ৰাইজৰ পৰা পাবলগীয়া সমুদায় টকা চেকেৰে পোৱা হ'ল আৰু চেকখন সেইদিনাই বেংকত জমা দিয়া হ'ল।**

***লেনদেনৰ বিশ্লেষণ*ঃ** এই লেনদেনটোৱে এহাতে সম্পত্তিৰ (বেংক) বৃদ্ধি কৰিছে আনহাতে আন এটা সম্পত্তিৰ (ৰজনী এণ্টাৰপ্ৰাইজৰ - দেনাদাৰ হিচাপে) হ্ৰাস কৰিছে। সম্পত্তিৰ বৃদ্ধি ডেবিট আৰু হ্ৰাস ক্ৰেডিট কৰা হয়। গতিকে বেংক হিচাপ ডেবিট আৰু ৰজনী এণ্টাৰপ্ৰাইজ হিচাপ ক্ৰেডিট কৰি লেনদেনটো লিপিবদ্ধ কৰা।

**ৰজনী এণ্টাৰপ্ৰাইজ হিচাপ**

| | |
|---|---|
| (6) 35,000 | **(9) 35,000** |

**বেংক হিচাপ**

| | |
|---|---|
| (2) 4,80,000 | (3) 60,000 |
| **(9) 35,000** | |

**কি বুজিলা চোৱা - I**

1. ***দ্বি-প্ৰবিষ্টি হিচাপকৰণৰ মতে ঃ***
   (i) যিবোৰ লেনদেনে কোনো সম্পত্তি হিচাপৰ ডেবিট দিশ প্ৰভাৱান্বিত কৰে সেইবোৰ লেনদেন দেনা বা মূলধন হিচাপৰ ক্ৰেডিট দিশ প্ৰভাৱান্বিত কৰিবই।
   (ii) যিবোৰ লেনদেনত দেনা বা মূলধন হিচাপ ডেবিট কৰা হয়, সেইবোৰ লেনদেনত সম্পত্তি হিচাপ ক্ৰেডিট কৰা হ'ব।
   (iii) প্ৰত্যেক লেনদেন সমপৰিমাণৰ ডেবিট আৰু ক্ৰেডিটেৰে লিপিবদ্ধ কৰা হ'বই।
2. মূলধন হিচাপত বৃদ্ধি আৰু হ্ৰাস ঘটোৱা বিভিন্ন প্ৰকাৰৰ লেনদেনবোৰ উল্লেখ কৰা।
3. ডেবিট মানে সদায় বৃদ্ধি আৰু ক্ৰেডিট মানে সদায় হ্ৰাস নেকি?

4. *নিম্ন উল্লেখিত উত্তৰবোৰ কোনটোৱে, সাধাৰণতে ব্যৱহাৰ হোৱা হিচাপবোৰৰ সঠিকভাৱে শ্ৰেণী বিভাজন কৰিছে?*

(1) দালান (2) মজুৰি (3) বাকী বিক্ৰী (4) বাকী ক্ৰয় (5) বিজুলী ব্যয় দিবলগীয়া হৈছে কিন্তু এতিয়ালৈকে দিয়া হোৱা নাই (অপ্ৰদত্ত বিজুলী ব্যয়) (6) গুদামৰ ভাড়া আগতীয়াকৈ দিয়া হ'ল (অগ্ৰিম প্ৰদত্ত গুদাম ভাড়া) (7) বিক্ৰী (8) অতিৰিক্ত মূলধন বিনিয়োগ (9) আহৰণ (10) বাট্টা দিয়া হ'ল।

| | সম্পত্তি | দেনা | মূলধন | আয় | ব্যয় |
|---|---|---|---|---|---|
| (i) | 5,4, | 3, | 9,6 | 2,10 | 8,7 |
| (ii) | 1,6 | 4,5 | 8 | 7,3 | 2,9,10 |
| (iii) | 2,10,4 | 4,6 | 8 | 7,5 | 1,3,9 |

**উদাহৰণ - 1**

**সম্পত্তি আৰু দেনাৰ ওপৰত প্ৰত্যেকটো লেনদেনৰ প্ৰভাৱ বিশ্লেষণ কৰা আৰু দেখুওৱা যে হিচাপৰ সমীকৰণৰ দুয়োটা দিশ সমান** (সম্পত্তি = দেনা + মূলধন)।

(i) নগদ 8,00,000 টকা আৰু 50,000 টকা মূল্যৰ মজুত পণ্যৰে ব্যৱসায় আৰম্ভ কৰা হ'ল।

(ii) 15,000 টকা নগদ পৰিশোধ কৰি 3,00,00 টকা মূল্যৰ কলকব্জা ক্ৰয় কৰা হ'ল, বাকীখিনি টকা পিছত পৰিশোধ কৰা হ'ব।

(iii) নগদ 6,00,000 টকা বেংকত জমা দিয়া হ'ল।

(iv) কাৰ্যালয়ৰ বাবে 1,00,000 টকা মূল্যৰ আচবাব পত্ৰ চেকেৰে ক্ৰয় কৰা হ'ল।

(v) 80,000 মূল্যৰ সামগ্ৰী নগদ আৰু 35,000 টকা মূল্যৰ সামগ্ৰী বাকীত ক্ৰয় কৰা হ'ল।

(vi) 45,000 টকা মূল্যৰ সামগ্ৰী নগদ 60,000 টকাত বিক্ৰী কৰা হ'ল।

(vii) 80,000 টকা মূল্যৰ সামগ্ৰী 1,25,000 টকা দামত বাকীত বিক্ৰী কৰা হ'ল।

(viii) 35,000 মূল্যৰ সামগ্ৰী যোগানকাৰীক, চেকেৰে আদায় দিয়া হ'ল।

(ix) গ্ৰাহকৰ পৰা 75,000 টকাৰ চেক পোৱা হ'ল।

(x) ব্যক্তিগত ব্যৱহাৰৰ বাবে মালিকে 25,000 টকা আহৰণ কৰিলে

**সমাধান**

***লেনদেন নং (i)*** ঃ এই লেনদেনটোৱে সম্পত্তিৰ দিশটোত নগদ টকা আৰু মজুতপণ্যক প্ৰভাৱান্বিত কৰিছে আৰু একেসময়তে দেনাৰ দিশটোত মূলধনক প্ৰভাৱান্বিত কৰিছে। সমীকৰণটোৰ সম্পত্তিৰ

দিশত নগদ 8,00,000 টকা আৰু মজুত পণ্য 50,000 টকাৰে বৃদ্ধি হৈছে। মূলধনৰো 8,50,000 টকাৰে বৃদ্ধি ঘটিছে।

টকা

| সম্পত্তি | = দেনা + মূলধন |
|---|---|
| নগদ টকা + মজুত পণ্য | |
| 8,00,000 + 50,000 | = 8,50,000 |
| **মুঠ = 8,50,000** | = 8,50,000 |

***লেনদেন নং (ii)*** ঃ এই লেনদেনটোৱে সম্পত্তিৰ দিশত নগদ টকা আৰু কলকব্জাক প্ৰভাৱিত কৰিছে আৰু সমীকৰণটোৰ আনটো দিশত দেনাক প্ৰভাৱান্বিত কৰিছে। কলকব্জা 300,000 টকাৰে বৃদ্ধি আৰু নগদ টকা 15,000 ৰে হ্ৰাস হৈছে। কলকব্জা যোগানকাৰীক পৰি পৰিশোধ কৰিব লগীয়া দেনাৰ পৰিমাণ 2,85,000 টকাৰে বৃদ্ধি হৈছে।

টকা

| সম্পত্তি | | | = দেনা + মূলধন |
|---|---|---|---|
| নগদ টকা + মজুত পণ্য + কলকব্জা | | | |
| 8,00,000 + 50,000 | | | = 8,50,000 |
| **(15,000)** | | **3,00,000** | = **2,85,000** |
| **7,85,000** + | **50,000** | + **3,00,000** | = **2,85,000+8,50,000** |
| মুঠ = 11,35,000 | | | = 11,35,000 |

***লেনদেন নং (iii)*** ঃ এই লেনদেনটোৱে কেৱল সম্পত্তিৰ দিশটোকহে প্ৰভাৱান্বিত কৰিছে। সম্পত্তিৰ দিশত থকা সম্পত্তিসমূহৰ সালসলনি ঘটিছে। নগদ টকাৰ 6,00,000 ৰে হ্ৰাস ঘটিছে। সমপৰিমাণৰ টকা বেংকত বাঢ়িছে।

টকা

| সম্পত্তি | = দেনা + মূলধন |
|---|---|
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংকত জমা | = |
| 7,85,000 + 50,000 + 3,00,000 | = 2,85,000 + 8,50,000 |
| **(6,00,000)** + **6,00,000** | = |
| 1,85,000 + **50,000** + **3,00,000** + **6,00,000** | = **2,85,000** + **8,50,000** |
| **মুঠ = 11,35,000** | = **11,35,000** |

***লেনদেন নং (iv)*** ঃ এই লেনদেনটোৱে কেৱল সম্পত্তিৰ দিশটোকহে প্ৰভাবিত কৰিছে। সম্পত্তিৰ দিশত থকা সম্পত্তিসমূহৰ সালসলনি ঘটিছে। আচবাব পত্ৰৰ 1,00,000 টকাৰে বৃদ্ধি ঘটিছে আৰু বেংকত সমপৰিমাণৰ টকাৰ হ্ৰাস ঘটিছে।

টকা

| | |
|---|---|
| সম্পত্তি | = দেনা + মূলধন |
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংকত জমা + আচবাবপত্ৰ | |
| 1,85,000 + 50,000 + 3,00,000 + 6,00,000 | = 2,85,000 + 8,50,000 |
| **(1,00,000) + 1,00,000** | = |
| **1,85,000 + 50,000 + 3,00,000 + 5,00,000 + 1,00,000** | **= 2,85,000 + 8,50,000** |
| মুঠ = **11,35,000** | = 11,35,000 |

***লেনদেন নং (v)*** ঃ এই লেনদেনটোৱে সম্পত্তিৰ দিশটোত নগদ টকা আৰু মজুত পণ্যক প্ৰভাবিত কৰিছে, আনটো দিশত দেনাক প্ৰভাবিত কৰিছে। সম্পত্তিৰ দিশত নগদ টকা 80,000 হ্ৰাস আৰু মজুত পণ্যৰ 1,15,000 টকাৰে বৃদ্ধি হৈছে। দেনাৰ পৰিমাণ 35,000 টকাৰে বৃদ্ধি হৈছে।

টকা

| | |
|---|---|
| সম্পত্তি | = দেনা + মূলধন |
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংকত জমা + আচবাবপত্ৰ | |
| 1,85,000 + 50,000 + 3,00,000 + 5,00,000 + 1,00,000 | = 2,85,000 + 8,50,000 |
| **(80,000) + 1,15,000** | = **35,000** |
| 1,05,000 + 1,65,000 + 3,00,000 + 5,00,000 + 1,00,000 | **= 3,20,000+8,50,000** |
| মুঠ = **11,70,000** | = **11,70,000** |

*লেনদেন নং (vi)* ঃ এই লেনদেনটোৱে সম্পত্তিৰ দিশত নগদ টকা আৰু মজুত পণ্যক প্ৰভাবিত কৰিছে আৰু আনটো দিশত মূলধনক প্ৰভাবিত কৰিছে। সমীকৰণটোৰ সম্পত্তিৰ দিশত নগদ 60,000 টকাৰ বৃদ্ধি আৰু মজুত পণ্যৰ 45,000 টকাৰে হ্ৰাস ঘটিছে। মূলধন 15,000 টকাৰে বৃদ্ধি হৈছে।

টকা

| | |
|---|---|
| সম্পত্তি | = দেনা + মূলধন |
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংকত জমা + আচবাবপত্ৰ | |
| 1,05,000 + 1,65,000 + 3,00,000 + 5,00,000 + 1,00,000 | = 3,20,000 + 8,50,000 |
| **60,000 + (45,000)** | = + 15,000 |
| **1,65,000 + 1,20,000 + 3,00,000 + 5,00,000 + 1,00,000** | **= 3,20,00 + 8,65,000** |
| মুঠ = **11,85,000** | = 11,85,000 |

*লেনদেন নং (vii)* ঃ এই লেনদেনটোৱে সম্পত্তিৰ দিশত দেনাদাৰ আৰু মজুত পণ্যক প্ৰভাৱিত কৰিছে আৰু আনটো দিশত মলধনক প্ৰভাবিত কৰিছে। সম্পত্তিৰ দিশটোত দেনাদাৰৰ পৰিমাণ 1,25,000 টকাৰে বৃদ্ধি আৰু মজুত পণ্য 80,000 টকাৰে হ্ৰাস হৈছে। মলধন 45,000 টকাৰে বৃদ্ধি পাইছে।

টকা

| | |
|---|---|
| **সম্পত্তি** | = **দেনা** + **মূলধন** |
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংকত জমা + আচবাবপত্ৰ + দেনাদাৰ | |
| 1,65,000 + 1,20,000 + 3,00,000 + 5,00,000 + 1,00,000 | = 3,20,000 + 8,65,000 |
| **(80,000)** **+ 1,25,000** | = **+ 45,000** |
| **1,65,000+ 40,000+3,00,000+5,00,000+1,00,000+1,25,000** | **= 3,20,000 + 9,10,000** |
| মুঠ = **12,30,000** | **= 12,30,000** |

*লেনদেন নং (viii)* ঃ এই সমীকৰণটোৱে সম্পত্তিৰ দিশত বেংক আৰু আনটো দিশত দেনাক প্ৰভাৱিত কৰিছে। সম্পত্তিৰ দিশত বেংকত থকা জমাৰ পৰিমাণ 35,000 টকাৰে হ্ৰাস হৈছে আৰু আনটো দিশত 35,000 টকাৰে দেনাৰ পৰিমাণো কৰিছে।

টকা

| | |
|---|---|
| সম্পত্তি | = দেনা + **মূলধন** |
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংকত জমা + আচবাবপত্ৰ + দেনাদাৰ | |
| 1,65,000+ 40,000 + 3,00,000 + 5,00,000 + 1,00,000 + 1,25,000 | = 3,20,000+9,10,000 |
| **(35,000)** | = **(35,000)** |
| **1,65,000+ 40,000+3,00,000+4,65,000+1,00,000 + 1,25,000** | **= 2,85,000 + 9,10,000** |
| মুঠ = 11,95,000 | = 11,95,000 |

*লেনদেন নং (ix)* ঃ এই লেনদেনটোৱে কেৱল সম্পত্তিৰ দিশটোকহে প্ৰভাবিত কৰিছে। বেংকত থকা টকাৰ পৰিমাণ 75,000 ৰে বাঢ়িছে আৰু সমপৰিমাণৰ টকাৰে দেনাদাৰৰ হ্ৰাস ঘটিছে।

টকা

| সম্পত্তি | = দেনা + মূলধন |
|---|---|
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংক + আচবাবপত্ৰ + দেনাদাৰ | |
| 1,65,000 + 40,000 + 3,00,000 + 4,65,000 + 1,00,000 + 1,25,000 | = 2,85,000 + 9,10,000 |
| + 75,000 — 75,000 | |
| 1,65,000 + 40,000 + 3,00,000 + 5,40,000 + 1,00,000 + 50,000 | = **2,85,000+ 9,10,000** |
| মুঠ = **11,95,000** | = **11,95,000** |

*লেনদেন নং (x)* ঃ এই লেনদেনটোহে সম্পত্তিৰ দিশত নগদ টকাক আৰু আনটো দিশত মূলধনক প্ৰভাবিত কৰিছে। সম্পত্তিৰ দিশত নগদ টকা 25,000 ৰে হ্ৰাস হৈছে আনহাতে মূলধনো 25,000 টকাৰে হ্ৰাস হৈছে।

টকা

| সম্পত্তি | = দেনা + মূলধন |
|---|---|
| নগদ টকা + মজুত পণ্য + কলকব্জা + বেংক + আচবাবপত্ৰ + দেনাদাৰ | |
| 1,65,000+40,000+3,00,000+5,40,000+1,00,000+50,000 | = 2,85,000 + 9,10,000 |
| **(25,000)** | = **+ (25,000)** |
| **1,40,000+ 40,000+3,00,000+5,40,000+1,00,000 + 50,000** | = **2,85,000+ 8,85,000** |
| মুঠ = **11,95,000** | = **11,95,000** |

### 3.4 প্ৰাথমিক প্ৰবিষ্টিৰ বহী (Books of Original Entry)

তুমি ইতিমধ্যে আগৰ পৃষ্ঠাবোৰত ডেবিট (debit) আৰু ক্ৰেডিট (credit) বিষয়ে শিকিছা আৰু লেনদেনে কেনেদৰে হিচাপসমূহক প্ৰভাবিত কৰে জানিছা। লেনদেনবোৰৰ বিশ্লেষণৰ এই প্ৰক্ৰিয়াটো আৰু সেইবোৰৰ প্ৰভাব প্ৰত্যক্ষভাবে হিচাপত লিপিবদ্ধ কৰাতো শিক্ষণৰ অনুশীলন হিচাবে যথেষ্ট সহায়ক। কিন্তু প্ৰকৃততে হিচাপকৰণ লেনদেনসমূহ প্ৰত্যক্ষভাবে হিচাপভুক্ত কৰা হয়। যিখন বহীত লেনদেনসমূহ প্ৰথমবাৰৰ বাবে লিখা হয় সেইখনক জাবেদা বা প্ৰাথমিক প্ৰবিষ্টিৰ বহী বোলে।

লেনদেনসমূহ জাবেদাত লিপিবদ্ধ কৰিবলৈ ইতিমধ্যে আলোচনা কৰা উৎস দলিলৰ আৱশ্যক। এই কামটোৱে প্ৰতিটো লেনদেনক সম্পূৰ্ণভাবে এঠাইত লিখাত আৰু প্ৰতিটো লেনদেনৰ ডেবিট আৰু ক্ৰেডিটক সংযোজিত কৰে। প্ৰতিটো লেনদেনৰ ডেবিট আৰু ক্ৰেডিটসমূহক জাবেদাত লিখাৰ (লিপিবদ্ধ কৰাৰ) পিচত, সেইবোৰক নিজ নিজ হিচাপলৈ স্থানান্তৰিত কৰা হয়। লেনদেনবোৰক জাবেদাত লিপিবদ্ধ কৰাৰ এই প্ৰক্ৰিয়াটোক জাবেদাকৰণ বোলা হয়। জাবেদাকৰণৰ (জাবেদা প্ৰবৰণ) এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'লে, প্ৰতিষ্ঠানৰ ওপৰত প্ৰভাব পেলোৱা ঘটনাটোৰ সম্পূৰ্ণ আৰু আৱশ্যক ব্যাখ্যা জাবেদা প্ৰবিষ্টিটোৱে আগবঢ়ায়। জাবেদা প্ৰবিষ্টিক নিজ নিজ হিচাপসমূহলৈ স্থানান্তৰিত কৰা প্ৰক্ৰিয়াটোক ভুক্তিকৰণ (posting) বোলা হয়। এই অনুক্ৰমৰ (sequence) বাবেই জাবেদাখনক প্ৰাথমিক প্ৰবিষ্টিৰ বহী আৰু খতিয়ন হিচাপক মুখ্য প্ৰবিষ্টিৰ বহী বোলা হয়। এই প্ৰসংগত কব পাৰি লেনদেনৰ সংখ্যা আৰু ধৰণৰ ওপৰত ভিত্তি কৰি জাবেদাক তলত দিয়া ধৰণে বিভিন্ন প্ৰাথমিক প্ৰবিষ্টিৰ বহীত উপবিভাজন কৰা হয়।

(a) প্ৰকৃত জাবেদা (Journal proper)

(b) নগদ বহী / ৰোকৰ বহী (Cash Book)

(c) অন্যান্য দৈনিক বহী : (Other day books)

- (i) ক্ৰয় জাবেদা বহী (Purchases Journal/book)
- (ii) বিক্ৰয় জাবেদা বহী (Sales Journal / book)
- (iii) ক্ৰয় ফিৰৎ জাবেদা বহী (Purchases Returns Journal/book)
- (iv) বিক্ৰয় ফিৰৎ জাবেদা বহী (Sales Returns Journal/book)
- (v) প্ৰাপ্য বিল জাবেদা বহী (Bills Receivable Journal/book)
- (vi) প্ৰদেয় বিল জাবেদা বহী (Bills Payable Journal/book)

এই অধ্যায়টোত তুমি জাবেদাকৰণ আৰু সেইবোৰৰ খতিয়নভুক্ত কৰাৰ প্ৰক্ৰিয়াটোৰ বিষয়ে জানিব পাৰিবা। নগদ বহী আৰু অন্যান্য দৈনিক বহীসমূহৰ বিষয়ে 4 নং অধ্যায়ত বিতংভাৱে আলোচনা কৰা হৈছে।

### 3.4.1. *জাবেদা (Journal)*

এইখন প্ৰাথমিক প্ৰবিষ্টি বহী। লেনদেনবোৰ সংঘটিত হোৱাৰ লগে লগে এই বহীখনত তাৰিখ অনুযায়ী লিখা হয়। পিছত লেনদেনবোৰ এই বহীখনৰ পৰা সংশ্লিষ্ট হিচাপবোৰলৈ খতিয়ানভুক্ত

কৰা হয়। ডেবিট বা ক্ৰেডিট কৰিব লগীয়া হিচাপবোৰ নিৰ্দ্ধাৰণ কৰাৰ পিছত প্ৰতিটো লেনদেনকে পৃথকভাবে লিপিবদ্ধ কৰা হয়। 3.5 নং চিত্ৰত জাবেদাৰ আৰ্হি দেখুওৱা হৈছে।

জাবেদা

| দিনাংক | বিৱৰণী | খঃপৃঃ | ডেবিট পৰিমাণ | ক্ৰেডিট পৰিমাণ |
|---|---|---|---|---|
| | | | | |

**চিত্ৰ 3.5 :** *জাবেদাৰ আৰ্হি দেখুওৱা হৈছে।*

জাবেদাৰ প্ৰথম স্তম্ভটোত লেনদেন সংঘটিত হোৱাৰ দিনটো লিখা হয়। বিৱৰণী স্তম্ভত, ডেবিট কৰিব লগীয়া হিচাপটো প্ৰথম শাৰীত বাঁওহাতৰ কোণৰ পৰা লিখিবলৈ আৰম্ভ কৰা হয় আৰু শেষত ডেঃ বুলি লিখা হয়। দ্বিতীয় শাৰীত বাওঁহাতে কিছু ঠাই বাদ দি ক্ৰেডিট কৰিব লগীয়া হিচাপটো লিখি শেষত 'লৈ' বুলি লিখা হয়। হিচাপবোৰৰ নামবোৰ লিখা হোৱাৰ পিচত লেনদেনটোৰ সংক্ষিপ্ত বিৱৰণী লিখা হয় আৰু ইয়াক ব্যাখ্যা বোলে। ব্যাখ্যা লিখাৰ পিছত বিৱৰণী স্তম্ভত এটা আঁচ টনা হয় আৰু ইয়ে জাবেদা প্ৰবিষ্টিটো লিখা সম্পূৰ্ণ হোৱাটো সুচায়। খতিয়ন পৃষ্ঠা স্তম্ভত, খতিয়ন বহীৰ যিটো পৃষ্ঠাত সংশ্লিষ্ঠ হিচাপটো খোলা (লিখা) হৈছে সেইটো পৃষ্ঠাৰ নং টো লিখা হয়। এই স্তম্ভটোত খয়িতনভূক্তকৰণৰ সময়তহে লিখা হয়, জাবেদা প্ৰবিষ্ঠি লিখাৰ সময়ত নহয়। "ডেবিট" স্তম্ভত ডেবিট কৰিবলগীয়া হিচাপ টকাৰ পৰিমাণ আৰু একেদৰে 'ক্ৰেডিট' স্তম্ভত ক্ৰেডিট কৰিব লগীয়া হিচাপৰ টকাৰ পৰিমাণ লিখা হয়। উল্লেখ কৰিব পাৰি যে, লেনদেনবোৰৰ সংখ্যা যথেষ্ট বেছি আৰু জাবেদাৰ বহু পৃষ্ঠাজুৰি এই লেনদেনবোৰ লিপিবদ্ধ কৰা হয়। সেয়েহে, জাবেদাখনৰ প্ৰতিটো পৃষ্ঠাৰ শেষত পৰিমাণৰ স্তম্ভটো যোগ কৰি পিচৰ পৃষ্ঠালৈ (carried forward, c/f) লৈ যোৱা হয় আৰু পিছৰ পৃষ্ঠাত সেই টকাৰ পৰিমাণ (brought forward, b/f) হিচাপে দেখুওৱা হয়।

জাবেদা প্ৰবিষ্টিটো এইব্যৱসায়িক লেনদেনৰ প্ৰাথমিক লিপিবদ্ধ কৰণ। এনে লেনদেন সহজ (simple) বা যৌগিক (compound) হব পাৰে। এটা লেনদেনত যেতিয়া কেবল দুটা হিচাপহে জড়িত (অন্তৰ্ভূক্ত) হৈ থাকে তেনে লেনদেন লিপিবদ্ধ কৰাৰ বাবে দৰকাৰী প্ৰবিষ্ঠিক সহজ জাবেদা প্ৰবিষ্ঠি বোলে।

উদাহৰণস্বৰূপে, 2005 চনৰ 24 ডিচেম্বৰ তাৰিখে মেচাৰ্ছ গোবিন্দ ট্ৰেডাৰ্চৰ পৰা 30,000 টকা মূল্যৰ সামগ্ৰী বাকীত ক্ৰয় কৰা লেনদেনটোত কেবল দুটা হিচাপহে জড়িত (অন্তৰ্ভুক্ত) হৈ আছেঃ (a) ক্ৰয় হিচাপ (সামগ্ৰী) (b) গোবিন্দ ট্ৰেডাৰ্চ হিচাপ (পাওনাদাৰ)

এই লেনদেনটোত জাবেদাত তলত দিয়া ধৰণে লিপিবদ্ধ হ'ব।

জাবেদা

| দিনাংক | বিৱৰণী | খঃপৃঃ | ডেবিট পৰিমাণ টকা | ক্রেডিট পৰিমাণ টকা |
|---|---|---|---|---|
| 2005 ডিচেম্বৰ 24 | ক্রয় হিচাপ ডেঃ<br>গোবিন্দ ট্রেডার্চৰ হিচাপলৈ<br>(গোবিন্দ ট্রেডার্চৰ পৰা সামগ্ৰী ক্রয় কৰা হ'ল) | | 30,000 | 30,000 |

মনত ৰখা দৰকাৰ যে, যদিও লেনদেনটোৰ মাধ্যমেৰে সামগ্ৰীৰ (Goods) বৃদ্ধি ঘটিছে, ক্রয় হিচাপহে ডেবিট কৰা হৈছে সামগ্ৰী হিচাপক ডেবিট কৰা হোৱা নাই। দৰাচলতে, চতুৰ্থ অধ্যায়ত আলোচনা কৰাৰ দৰে সামগ্ৰী হিচাপক পাঁচটা হিচাপত ভাগ কৰা হয়, সেইবোৰ হ'ল, ক্রয় হিচাপ, বিক্ৰয় হিচাপ, ক্রয় ফিৰৎ হিচাপ, বিক্ৰয় ফিৰৎ হিচাপ আৰু মজুত পন্য হিচাপ। যেতিয়া ডেবিট বা ক্রেডিট কৰিব লগীয়া হিচাপৰ সংখ্যা এটাকৈ অধিক হয়, তেনে লেনদেন লিপিবদ্ধ কৰিবলৈ কৰা জাবেদা প্ৰবিষ্টিক যৌগিক (Compound) জাবেদা প্ৰবিষ্টি বোলে। তাৰ মানে যৌগিক জাবেদা প্ৰবিষ্টিত বহুসংখ্যক হিচাপ জড়িত হৈ থাকে। উদাহৰণস্বৰূপে 2005 চনৰ জুলাই মাহৰ 4 তাৰিখে মডাৰ্ণ ফাৰ্নিচাৰৰ পৰা অফিচত ব্যৱহাৰৰ বাবে 25,000 টকা মূল্যৰ আচবাবপত্ৰ নগদ 5000 টকা পৰিশোধ কৰি কিনা হ'ল, বাকী 20,000 টকা দিবলৈ থাকি গল। এই লেনদেনটোৱে আচবাবপত্ৰৰ (সম্পত্তি) 25,000 টকাৰে বৃদ্ধি ঘটালে, নগদ টকা (সম্পত্তি) 5000 টকাৰে হ্ৰাস ঘটালে আৰু দেনাৰ পৰিমাণ 20,000 টকাৰে বৃদ্ধি কৰিলে। 2005 চনৰ 4 জুলাইত লিপিবদ্ধ জাবেদা প্ৰবিষ্টিটো তলত দিয়া ধৰণৰ হ'ব।

**জাবেদা**

| তাৰিখ | বিৱৰণ | খঃ পৃঃ | ডেবিট পৰিমাণ টকা | ক্রেডিট পৰিমাণ টকা |
|---|---|---|---|---|
| 2005 4 জুলাই | অফিচ আচবাব পত্ৰ হিচাপ ডেঃ<br>নগদ টকা হিচাপলৈ<br>মডাৰ্ন ফাৰ্নিচাৰ হিচাপলৈ<br>(মডাৰ্ন ফাৰ্নিচাৰৰ পৰা অফিচৰ বাবে আচবাব পত্ৰ কিনা হ'ল) | | 25,000 | 5,000<br>20,000 |

এতিয়া উদাহৰণ 1 ত উল্লেখ কৰা প্ৰথম উদাহৰণটো আকৌ এবাৰ চোৱা আৰু কেনেদৰে লেনদেনবোৰ জাবেদাত লিপিবদ্ধ কৰা হৈছে নিৰীক্ষণ কৰা।

**ৰোহিতৰ বহীত**

**জাবেদা**

| তাৰিখ | বিৱৰণ | খঃ পৃঃ | ডেবিট পৰিমাণ টকা | ক্ৰেডিট পৰিমাণ টকা |
|---|---|---|---|---|
| | নগদ টকাৰ হিচাপ ডেঃ<br>মূলধন হিচাপলৈ<br>(নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল) | | 5,00,000 | 5,00,000 |
| | বেংকৰ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(ষ্টেট বেংক অফ ইণ্ডিয়াত এটা বেংক হিচাপ খোলা হ'ল) | | 4,80,000 | 4,80,000 |
| | আচবাব পত্ৰৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(আচবাব পত্ৰ কিনা হ'ল আৰু চেকেৰে প্ৰদান কৰা হ'ল) | | 60,000 | 60,000 |
| | কলকব্জা হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>ৰামজী লাললৈ (অগ্ৰিম হিচাপে 10,000 আদায় দি ৰামজী লালৰ পৰা কলকব্জা কিনা হ'ল আৰু বাকীখিনি টকা পিচত আদায় দিয়া হ'ব) | | 1,25,000 | 10,000<br>1,15,000 |
| | ক্ৰয় হিচাপ ডেঃ<br>সুমিত ট্ৰেডাৰ্চলৈ<br>(বাকীত ক্ৰয়) | | 55,000 | 55,000 |
| | ৰজনী এণ্টাৰপ্ৰাইজ ডেঃ<br>বিক্ৰয় হিচাপলৈ<br>(বাকীত বিক্ৰী) | | 35,000 | 35,000 |
| | মুঠ | | 12,55,000 | 12,55,000 |

*উদাহৰণ - 2*

সৰোজ মার্টে তলত দিয়া তথ্যপাতিখিনি আগবঢ়াইছে ঃ

2005 চনৰ এপ্রিল মাহৰ লেনদেনবোৰ তলত দিয়া ধৰণৰ ঃ

| তাৰিখ | বর্ণনা |
|---|---|
| 1.4.2005 | নগদ 1,50,000 টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল। |
| 1.4.2005 | মনীষাৰ পৰা 36,000 টকাৰ বস্তু বাহানি ক্রয় কৰা হ'ল। |
| 1.4.2005 | নগদ 2,200 টকাৰে লেখন সামগ্রী ক্রয় কৰা হ'ল। |
| 2.4.2005 | ষ্টেট বেংক অফ ইণ্ডিয়াত 35,000 টকাৰে এটা বেংক হিচাপ খোলা হ'ল। |
| 2.4.2005 | 16,000 টকাৰ বস্তু-বাহানি প্রিয়াক বাকীত বিক্রী কৰা হ'ল। |
| 3.4.2005 | প্রিয়াৰ পৰা 16,000 টকাৰ এখন চেক পোৱা হ'ল। |
| 5.4.2005 | নীধিক 14,000 টকাৰ বস্তু বিক্রী কৰা হ'ল। |
| 8.4.2005 | নীধিয়ে নগদ 14,000 টকা আদায় দিলে। |
| 10.4.2005 | ঋতুৰ পৰা 20,000 টকাৰ সামগ্রী বাকীত ক্রয় কৰা হ'ল। |
| 14.4.2005 | বীমা বাবদ 6,000 টকা চেকেৰে আদায় দিয়া হ'ল। |
| 18.4.2005 | নগদ 2,000 টকা ভাড়া দিয়া হ'ল। |
| 20.4.2005 | 1,500 টকা মূল্যৰ সামগ্রী বৰঙণি হিচাপে দিয়া হ'ল। |
| 24.4.2005 | 11,200 টকাৰে অফিচৰ বাবে আচবাব পত্র কিনা হ'ল। |
| 29.4.2005 | ঘৰুৱা খৰচৰ বাবে নগদ 5,000 টকা আহৰণ কৰা হ'ল। |
| 30.4.2005 | নগদ 1,200 টকা সুদ হিচাপে পোৱা হ'ল। |
| 30.4.2005 | নগদ বিক্রী 2,300 টকা। |
| 30.4.2005 | চেকেৰে 3,000 টকা দস্তুৰি আদায় দিয়া হ'ল। |
| 30.4.2005 | 2,000 টকাৰ টেলিফোন বিল চেকেৰে পৰিশোধ কৰা হ'ল। |
| 30.4.2005 | নগদ 12,000 টকাৰে দৰমহা দিয়া হ'ল। |

লেনদেনবোৰৰ জাবেদা প্ৰবিষ্টি দিয়া-

*সমাধান ঃ*

**সৰোজ মাৰ্টৰ বহীত**
**জাবেদা**

| তাৰিখ | বিৱৰণ | | খঃ পৃঃ | ডেবিট পৰিমাণ টকা | ক্ৰেডিট পৰিমাণ টকা |
|---|---|---|---|---|---|
| 2005<br>1 এপ্ৰিল | নগদ টকাৰ হিচাপ | ডেঃ | | 1,50,000 | |
| | মূলধন হিচাপলৈ | | | | 1,50,000 |
| | (নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল) | | | | |
| 1 এপ্ৰিল | ক্ৰয় হিচাপ | ডেঃ | | 36,000 | |
| | মনীষা হিচাপলৈ | | | | 36,000 |
| | (বাকীত সামগ্ৰী ক্ৰয়) | | | | |
| 1 এপ্ৰিল | লেখন সামগ্ৰী হিচাপ | ডেঃ | | 2,200 | |
| | নগদ টকাৰ হিচাপলৈ | | | | 2,200 |
| | (নগদ টকাৰে লেখন সামগ্ৰী ক্ৰয়) | | | | |
| 2 এপ্ৰিল | বেংকৰ হিচাপ | ডেঃ | | 35,000 | |
| | নগদ টকাৰ হিচাপলৈ | | | | 35,000 |
| | (ষ্টেট বেংকত বেংক হিচাপ খোলা হ'ল) | | | | |
| 2 এপ্ৰিল | প্ৰিয়া হিচাপ | ডেঃ | | 16,000 | |
| | বিক্ৰয় হিচাপলৈ | | | | 16,000 |
| | (প্ৰিয়াক বাকী সামগ্ৰী বিক্ৰয়) | | | | |
| 3 এপ্ৰিল | বেংক হিচাপ | ডেঃ | | 16,000 | |
| | প্ৰিয়া হিচাপলৈ | | | | 16,000 |
| | (প্ৰিয়াৰ পৰা চেক পোৱা হ'ল) | | | | |
| 5 এপ্ৰিল | নিধী হিচাপ | ডেঃ | | 14,000 | |
| | বিক্ৰয় হিচাপলৈ | | | | 14,000 |
| | (নিধীক সামগ্ৰী বাকীত বিক্ৰী কৰা হ'ল) | | | | |
| 8 এপ্ৰিল | নগদ টকাৰ হিচাপ | ডেঃ | | 14,000 | |
| | নিধী হিচাপলৈ | | | | 14,000 |
| | (নিধীৰ পৰা নগদ পোৱা হ'ল) | | | | |
| | মুঠ, আগলৈ | | | 2,83,200 | 2,83,200 |

| | | | | |
|---|---|---|---|---|
| | মুঠ, আগৰ পৰা | | 2,83,200 | 2,83,200 |
| 10 এপ্রিল | ক্রয় হিচাপ ডেঃ<br>সুতৰ হিচাপলৈ<br>(বাকীত সামগ্রী ক্রয়) | | 20,000 | 20,000 |
| 14 এপ্রিল | বিমা কিস্তি হিচাপ ডেঃ<br>বেংক হিচাপলৈ<br>(চেকেৰে বীমা প্রিমিয়াম আদয় দিয়া হ'ল) | | 6,000 | 6,000 |
| 18 এপ্রিল | ভাড়া হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(ভাড়া প্রদান) | | 2,000 | 2,000 |
| 20 এপ্রিল | বৰঙণি হিচাপ ডেঃ<br>ক্রয় হিচাপলৈ<br>(সামগ্রী দান হিচাপে দিয়া হ'ল) | | 1,500 | 1,500 |
| 24 এপ্রিল | আচবাব পত্রৰ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(নগদ টকাৰে অফিচৰ বাবে আচবাব পত্র ক্রয় কৰা হ'ল) | | 11,200 | 11,200 |
| 29 এপ্রিল | আহৰণ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(ব্যৱসায়ৰ মালিকে ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰাৰ বাবদ) | | 5,000 | 5,000 |
| 30 এপ্রিল | নগদ টকাৰ হিচাপ ডেঃ<br>সুদৰ হিচাপলৈ<br>(সুদ প্রাপ্তিৰ বাবদ) | | 1,200 | 1,200 |
| 30 এপ্রিল | নগদ টকাৰ হিচাপ ডেঃ<br>বিক্রয় হিচাপলৈ<br>(নগদ টকাত সামগ্রী বিক্রী কৰা হ'ল) | | 2,300 | 2,300 |
| 30 এপ্রিল | দস্তুৰি হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(চেকেৰে দস্তুৰি পৰিশোধ কৰা হ'ল) | | 3,000 | 3,000 |
| | মুঠ, আগলৈ | | 3,35,400 | 3,35,400 |

| | | | | |
|---|---|---|---|---|
| | মুঠ, আগৰপৰা | | 3,35,400 | 3,35,400 |
| 30 এপ্ৰিল | টেলিফোন ব্যয় হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(টেলিফোন বিল পৰিশোধ কৰা হ'ল) | | 2,000 | 2,000 |
| 30 এপ্ৰিল | দৰমহা হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(অফিচৰ কৰ্মীক দৰমহা প্ৰদান কৰা হ'ল) | | 12,000 | 12,000 |
| | মুঠ | | 3,49,400 | 349,400 |

*উদাহৰণ - 3*

(i) নগদ 6,00,000 টকাৰে ব্যৱসায় আৰম্ভণি কৰা হ'ল।

(ii) 4,50,000 টকা বেংকত জমা দিয়া হ'ল।

(iii) 2,30,000 মূল্যৰ কলকজা ক্ৰয় কৰা হ'ল আৰু 30,000 টকা হে পৰিশোধ কৰা হ'ল।

(iv) 40,000 টকা মূল্যৰ সামগ্ৰী নগদ আৰু 45,000 টকা মূল্যৰ সামগ্ৰী বাকীত ক্ৰয় কৰা হ'ল।

(v) কলকজাৰ বিক্ৰেতাক 2,00,000 টকাৰ চেক প্ৰদান কৰা হ'ল।

(vi) নগদ বিক্ৰী 7,000 টকা (সামগ্ৰীখিনিৰ ক্ৰয় মূল্য 50,000 টকা)।

(vii) মালিকৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে কৰা আহৰণৰ পৰিমাণ 35,000 টকা।

(viii) বীমা কিস্তি 2,500 টকা চেকেৰে পৰিশোধ কৰা হ'ল।

(ix) অপ্ৰদত্ত দৰমহা 5,500 টকা।

(x) নগদ 30,000 টকাৰে আচবাব পত্ৰ ক্ৰয় কৰা হ'ল।

*সমাধান ঃ*

জাবেদা

| তাৰিখ | বিৱৰণ | খঃ পৃঃ | ডেবিট পৰিমাণ টকা | ক্ৰেডিট পৰিমাণ টকা |
|---|---|---|---|---|
| (i) | নগদ টকাৰ হিচাপ ডেঃ<br>মূলধন হিচাপলৈ<br>(নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল) | | 6,00,000 | 6,00,000 |
| (ii) | বেংকৰ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(বেংকত জমা কৰা হ'ল) | | 4,50,000 | 4,50,000 |
| | মুঠ, আগলৈ | | 10,50,000 | 10,50,000 |

| | | | | | |
|---|---|---|---|---|---|
| | | মুঠ, আগবপৰা | | 10,50,000 | 10,50,000 |
| (iii) | | কলকব্জা হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>পাওনাদাৰৰ হিচাপলৈ<br>(কলকব্জা ক্ৰয়ৰ বাবদ নগদ 30,00 দিয়া হ'ল আৰু বাকী টকা পিছত পৰিশোধ কৰা হ'ব) | | 2,30,000 | <br>30,000<br>2,00,000 |
| (iv) | | ক্ৰয় হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>পাওনাদাৰৰ হিচাপলৈ<br>(নগদ আৰু বাকীত সামগ্ৰী ক্ৰয় কৰা হ'ল) | | 85,000 | <br>40,000<br>45,000 |
| (v) | | পাওনাদাৰৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(কলকব্জা বিক্ৰেতাক চেকেৰে পৰিশোধ কৰা হ'ল) | | 2,00,000 | <br>2,00,000 |
| (vi) | | নগদ টকাৰ হিচাপ ডেঃ<br>বিক্ৰয় হিচাপলৈ<br>(নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল) | | 70,000 | <br>70,000 |
| (vii) | | আহৰণ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>( ব্যক্তিগত ব্যৱহাৰৰ বাবে নগদ টকা আহৰণ কৰা হ'ল) | | 35,000 | <br>35,000 |
| (viii) | | বীমা হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(চেকেৰে বীমা প্ৰিমিয়াম আদায় দিয়া হ'ল) | | 2,500 | <br>2,500 |
| (ix) | | দৰমহা হিচাপ ডেঃ<br>অপ্ৰদত্ত দৰমহা হিচাপলৈ<br>(অপ্ৰদত্ত দৰমহাৰ বাবদ) | | 5,500 | <br>5,500 |
| (x) | | আচবাব পত্ৰৰ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(নগদ টকাৰে আচবাব পত্ৰ ক্ৰয় কৰা হ'ল) | | 30,000 | <br>30,000 |
| | | মুঠ | | 17,08,000 | 17,08,000 |

বিবৃতিখনত বিভিন্ন লেনদেনবোৰে হিচাপৰ সমীকৰণৰ কেনেদৰে প্ৰভাৱান্বিত কৰে দেখুওৱা হৈছে।

| নং | নগদ টকা | বেংকত জমা | মজুত পণ্য | আচবাব পত্ৰ | কলকব্জা | মুঠ | | অব্যৱসায়িক পাওনাদাৰ | ব্যৱসায়িক পাওনাদাৰ | মূলধন | মুঠ |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 1. | 6,00,000 | - | - | - | - | 6,00,000 | = | - | - | 6,00,000 | 6,00,000 |
| | 6,00,000 | - | - | - | - | 6,00,000 | = | - | - | 6,00,000 | 6,00,000 |
| 2. | (4,50,000) | 4,50,000 | | | | | | | | | |
| | 1,50,,000 | 4,50,000 | - | - | - | 6,00,000 | = | - | - | 6,00,000 | 6,00,000 |
| 3. | (30,000) | - | - | - | 2,30,000 | 2,00,000 | = | 2,00,000 | - | | 2,00,000 |
| | 1,20,000 | 4,50,000 | - | - | 2,30,000 | 8,00,000 | = | 2,00,000 | - | 6,00,000 | 8,00,000 |
| 4. | (40,000) | - | 85,000 | - | - | 45,000 | | - | 45,000 | - | 45,000 |
| | 80,000 | 4,50,000 | 85,000 | | 2,30,000 | 8,45,000 | = | 2,00,000 | 45,000 | 6,00,000 | 8,45,000 |
| 5. | - | (2,00,000) | - | - | - | (2,00,000) | = | (2,00,000) | - | - | (2,00,000) |
| | 80,000 | 2,50,000 | 85,000 | - | 2,30,000 | 6,45,000 | = | - | 45,000 | 6,00,000 | 20,000 |
| 6. | 70,000 | - | (50,000) | - | - | 20,000 | = | - | - | 20,000 | 20,000 |
| | 1,50,000 | 2,50,000 | 35,000 | - | 2,30,000 | 6,65,000 | = | - | 45,000 | 6,20,000 | 6,65,000 |
| 7. | (35,000) | - | - | | | (35,000) | | | | (35,000) | (35,000) |
| | 1,15,000 | 2,50,000 | 35,000 | - | 2,30,000 | 6,30,000 | = | - | 45,000 | 5,85,000 | 6,30,000 |
| 8. | | (2,500) | | | | (2,500) | | | | (2,500) | (2,500) |
| | 1,15,000 | 2,47,500 | 35,000 | - | 2,30,000 | 6,27,500 | = | - | 45,000 | 5,82,500 | 6,27,500 |
| 9. | | | | | | | | 5,500 | - | (5,500) | |
| | 1,15,000 | 2,47,500 | 35,000 | - | 2,30,000 | 6,27,500 | = | 5,500 | 45,000 | 5,77,000 | 6,27,500 |
| 10 | (30,000) | - | - | 30,000 | - | - | = | - | - | - | |
| | 85,000 | 2,47,500 | 35,000 | 30,000 | 2,30,000 | 6,27,500 | = | 5,500 | 45,000 | 5,77,000 | 6,27,500 |

## কি বুজিলা চোৱা - II

প্ৰভাৱিত হোৱা হিচাপবোৰৰ নাম লিখা, সেইবোৰৰ শ্ৰেণী বিভাজন কৰাৰ লগতে ডেবিট আৰু ক্ৰেডিট হ'বলগা হিচাপবোৰ লিখি উলিওৱা।

| | | টকাৰ পৰিমাণ |
|---|---|---|
| 1. | ভানুৱে নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰিলে | 1,00,000 |
| 2. | ৰমেশৰ পৰা বাকীত সামগ্ৰী ক্ৰয় কৰা হ'ল | 40,000 |
| 3. | নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল | 30,000 |
| 4. | দৰমহা দিয়া হ'ল | 3,000 |
| 5. | নগদ টকাৰে আচবাব পত্ৰ ক্ৰয় কৰা হ'ল | 10,000 |
| 6. | বেংকৰ পৰা ধাৰে লোৱা হ'ল | 50,000 |
| 7. | সৰিতাক সামগ্ৰী বিক্ৰী কৰা হ'ল | 10,000 |
| 8. | ৰমেশক পৰিশোধ কৰা হ'ল | 20,000 |
| 9. | ভাড়া আদায় দিয়া হ'ল | 1,500 |

| লেনদেনৰ নং | প্ৰভাৱিত হিচাপবোৰৰ নাম | | হিচাপৰ শ্ৰেণী বিভাজন (সম্পত্তি, দেনা, মূলধন, আয় আৰু ব্যয়) | | হিচাপবোৰ কেনেদৰে প্ৰভাৱিত হ'ল বৃদ্ধি/হ্ৰাস | |
|---|---|---|---|---|---|---|
| | 1 | 2 | 1 | 2 | 1 | 2 |
| 1. | | | | | | |
| 2. | | | | | | |
| 3. | | | | | | |
| 4. | | | | | | |
| 5. | | | | | | |
| 6. | | | | | | |
| 7. | | | | | | |
| 8. | | | | | | |
| 9. | | | | | | |

## 3·5 খতিয়ন (The Ledger)

হিচাপকৰণ পদ্ধতিত খতিয়নখন মুখ্য বহী। ইয়াত বিভিন্ন হিচাপবোৰ খোলা হয়, আৰু হিচাপবোৰৰ লগত সম্পৰ্কিত লেনদেনবোৰ লিপিবদ্ধ কৰা হয়। খতিয়নখন, প্ৰকৃত জাবেদা আৰু অন্যান্য বিশেষ জাবেদাত (special journal) (যিবোৰৰ বিষয়ে তুমি চতুৰ্থ অধ্যায়ত শিকিবা) ডেবিট বা ক্ৰেডিট হোৱা বিভিন্ন হিচাপবোৰৰ এটা সংগ্ৰহ। এখন খতিয়ন পকাবন্ধা, বা পৃথক পৃষ্ঠা, বা পৃথক কাৰ্ড একেলগে বান্ধি থোৱা ধৰণৰো হ'ব পাৰে। খতিয়নত প্ৰতিটো হিচাপ পৃথক পৃষ্ঠা বা কাৰ্ডত লিখিলে সুবিধাজনক হয়।

*উপযোগিতা (Utility)*

এটা ব্যৱসায় প্ৰতিষ্ঠানত খতিয়নখন যথেষ্ট দৰকাৰী আৰু ইয়াৰ গুৰুত্ব অপৰিসীম। যিকোনো এটা দিনত এটা নিৰ্দিষ্ট হিচাপত, বিভিন্ন লেনদেনৰ প্ৰভাৱৰ প্ৰকৃত ফলাফল কেৱল খতিয়নকৰণৰ পৰাহে নিৰ্দ্ধাৰণ কৰিব পাৰি। উদাহৰণস্বৰূপে প্ৰতিষ্ঠানখনে যদি এটা নিৰ্দিষ্ট দিনত এজন গ্ৰাহকৰ পৰা পাবলগীয়া টকাৰ পৰিমাণ বা এজন যোগানকাৰীক দিবলগীয়া টকাৰ পৰিমাণৰ বিষয়ে জানিবলৈ বিচাৰে, তেনে তথ্য কেৱল খতিয়নতহে পোৱা যাব। তেনেকুৱা তথ্য জাবেদাৰ পৰা নিৰ্দ্ধাৰণ কৰি উলিওৱা যথেষ্ট কষ্টকৰ কাৰণ লেনদেনবোৰ তাৰিখ অনুযায়ী লিখা হয় আৰু সেইবোৰৰ শ্ৰেণীবিভাজন কৰা নহয়। সহজ খতিয়নভুক্তকৰণ আৰু অৱস্থান নিৰ্দ্ধাৰণ কৰিবলৈ হিচাপবোৰ খতিয়নখনত একোটা ক্ৰম অনুসৰণ কৰি খোলা (লিখা) হয়। উদাহৰণস্বৰূপে হিচাপবোৰ যিটো ক্ৰমত লাভ লোকচান হিচাপ আৰু উদ্বৃত মিলন পত্ৰত দেখুওৱা হ'ব সেই একেটা ক্ৰমতে হিচাপবোৰ খতিয়নত লিখা/খোলা হ'ব পাৰে। আৰম্ভণিতে এটা সূচাকাংকৰো (Index) ব্যৱস্থা ৰাখিব। ডাঙৰ প্ৰতিষ্ঠানবোৰত যাতে সহজে হিচাপবোৰ চিনাক্ত কৰিব পাৰি তাৰ বাবে প্ৰতিটো হিচাপক এটা সাংকেতিক চিহ্ন (Code No) আবন্টন কৰা হয়।

**হিচাপৰ নাম**

ডেঃ ক্ৰেঃ

| *দিনাংক* | *বিৱৰণী* | *জা পৃঃ* | *পৰিমাণ টকা* | *দিনাংক* | *বিৱৰণী* | *জা পৃঃ* | *পৰিমাণ টকা* |
|---|---|---|---|---|---|---|---|
| | | | | | | | |

**3.6** *নং চিত্ৰত হিচাপৰ এটা আৰ্হি দেখুওৱা হৈছে।*

এই আৰ্হিখনৰ মতে স্তম্ভবোৰত তলত দিয়া ধৰণে তথ্য সন্নিবিষ্ট কৰা হ'ব।

ইতিমধ্যে আলোচিত হিচাপৰ ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়ম অনুসৰণ কৰি আৰু হিচাপবোৰৰ প্ৰকাৰ অনুযায়ী সেইবোৰৰ ডেবিট বা ক্ৰেডিট কৰা হয়।

*হিচাপটোৰ নাম* ঃ শিতানটোৰ নাম আৰ্হিখনৰ ওপৰত হিচাপটোৰ নাম হিচাবে লিখা হয়। হিচাপটোৰ নামৰ শেষত 'হিচাপ' বুলি লিখা হয়।

*ডেঃ/ক্ৰেঃ* ঃ ডেঃ মানে হিচাপটোৰ ডেবিট দিশটো অৰ্থাৎ বাওঁফালটো আৰু ক্ৰেঃ মানে হিচাপটোৰ ক্ৰেডিট দিশটো অৰ্থাৎ সোঁফালটো।

*দিনাংক* ঃ এই স্তম্ভটোত লেনদেন সংঘটিত হোৱা বছৰ, মাহ আৰু দিনটো তাৰিখ অনুসৰি লিখা হয়।

*জাবেদা পৃষ্ঠা* ঃ প্ৰাথমিক প্ৰবিষ্টিৰ বহীৰ (জাবেদাৰ) যিটো পৃষ্ঠাত সংশ্লিষ্ট লেনদেনটো লিখা হৈছে, সেই পৃষ্ঠা নংটো এই স্তম্ভত লিখা হয়। খতিয়নভুক্তিকৰণৰ সময়ত এই স্তম্ভটো তাৰিখটো লিখা হয়।

*পৰিমাণ* ঃ প্ৰাথমিক প্ৰবিষ্টিৰ বহীৰ পৰিমাণ স্তম্ভত যিটো পৰিমাণৰ টকা লিখা হৈছে সেই পৰিমাণৰ টকা, সংখ্যাত এই স্তম্ভটোত লিখা হয়।

### কি বুজিলা চোৱা - III

*শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা*

1. জাবেদাৰ খতিয়ান পৃষ্ঠা স্তম্ভটো ব্যৱহাৰ হয় ঃ
   - (a) খতিয়ান হিচাপত যি তাৰিখত টকাৰ পৰিমাণটো লিখা হ'ল সেই তাৰিখটো লিপিবদ্ধ কৰিবলৈ;
   - (b) যিটো খতিয়ান হিচাপত তথ্যখিনি লিখা হ'ল, সেই হিচাপটোৰ নম্বৰটো লিখিবলৈ;
   - (c) খতিয়ন হিচাপটোত কিমানবাৰ টকাৰ পৰিমাণ লিখা হ'ল তাক লিপিবদ্ধ কৰিবলৈ;
   - (d) খতিয়ন হিচাপটোৰ পৃষ্ঠা নং ঃ লিপিবদ্ধ কৰিবলৈ
2. বাকীতসেৱাৰ বিক্ৰীৰ বাবে কৰিবলগীয়া জাবেদা প্ৰবিষ্টিটোত
   - (a) দেনদাৰ ডেবিট আৰু মূলধন ক্ৰেডিট হ'ব।
   - (b) নগদ টকা ডেবিট আৰু দেনাদাৰ ক্ৰেডিট হ'ব।
   - (c) মাচুল (fees income) ডেবিট আৰু দেনাদাৰ ক্ৰেডিট হ'ব।
   - (d) দেনাদাৰ ডেবিট আৰু মাচুল আয় (fees income) ক্ৰেডিট হ'ব।
3. আহিলাপাতি ক্ৰয় কৰাৰ বাবদ 2,00,000 টকা নগদ আদায় দি আৰু বাকী 8,00,000 টকা 30 দিনৰ আদায় দিব লগীয়া লেনদেনটো লিপিবদ্ধ কৰিবলৈ লিখা জাবেদা প্ৰবিষ্টিটোত ঃ
   - (a) আহিলাপাতি 2,00,000 টকাৰে ডেবিট আৰু নগদ টকা 2,00,000ৰে ক্ৰেডিট হ'ব।
   - (b) আহিলাপাতি 10,00,000 টকাৰে ডেবিট কৰি নগদ টকা 2,00,000 ৰে আৰু পাওনাদাৰ 8,00,000 টকাৰে ক্ৰেডিট কৰা হ'ব।
   - (c) আহিলাপাতি 2,00,000 টকাৰে ডেবিট কৰি দেনাদাৰ 8,00,000 টকাৰে ক্ৰেডিট কৰা হ'ব।

(d) আহিলাপাতি 10,00,000 টকাৰে ডেবিট কৰি নগদ টকা 10,00,000 টকাৰে ক্রেডিট কৰা হ'ব।

4. জাবেদাত যেতিয়া এটা প্রবিষ্ঠি লিখিবলৈ
   (a) সম্পত্তিবোৰ প্রথমতে লিখা হয়।
   (b) ডেবিট কৰিব লগীয়া সম্পত্তিবোৰ প্রথমতে লিখা হয়।
   (c) ক্রেডিট কৰিব লগীয়া সম্পত্তিবোৰ প্রথমতে লিখা হয়।
   (d) হিচাপবোৰ যিকোনো ক্রমত লিখা হ'ব পাৰে।

5. যদি এটা লেনদেন সঠিক মতে বিশ্লেষণ আৰু লিপিবদ্ধ কৰা হয় ঃ
   (a) লেনদেনটো লিপিবদ্ধ কৰিবলৈ কেৱল মাত্র দুটা হিচাপহে ব্যৱহৃত হ'ব।
   (b) লেনদেনটো লিপিবদ্ধ কৰিবলৈ এটা হিচাপহে ব্যৱহৃত হ'ব।
   (c) এটা হিচাপৰ উদ্বৃত্ত বাঢ়িব আৰু আনটোৰ কমিব।
   (d) ডেবিট হোৱা টকাৰ পৰিমাণ, ক্রেডিট হোৱা টকাৰ পৰিমাণৰ সমান হ'ব।

6. মাহিলী বিলৰ পৰিশোধৰ বাবে কৰা জাবেদা প্রতিষ্ঠিটোত ঃ
   (a) মাহিলি বিল ডেবিট আৰু মুলধন ক্রেডিট হ'ব।
   (b) মুলধন ডেবিট আৰু নগদ টকা ক্রেডিট হ'ব।
   (c) মাহিলি বিল ডেবিট আৰু নগদ টকা ক্রেডিট হ'ব।
   (d) মাহিলি বিল ডেবিট আৰু পাওনাদাৰ ক্রেডিট হ'ব।

7. দৰমহা পৰিশোধৰ বাবে কৰা জাবেদা প্রবিষ্টিটোত ঃ
   (a) দৰমহা ডেবিট আৰু নগদ টকা ক্রেডিট হ'ব।
   (b) মুলধন ডেবিট আৰু নগদ টকা ক্রেডিট হ'ব।
   (c) নগদ টকা ডেবিট আৰু দৰমহা ক্রেডিট হ'ব।
   (d) দৰমহা ডেবিট আৰু পাওনাদাৰ ক্রেডিট হ'ব।

***জাবেদা আৰু খতিয়ানৰপাৰ্থক্য*** *(Distinction between Journal and Ledger)*

জাবেদা আৰু খতিয়ান, দ্বি প্রবিষ্ঠি হিচাপ ৰখা প্রণালীটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বহী আৰু এটা হিচাপকৰণ পদ্ধতিৰ বাবে অত্যাৱশ্যকীয়। তলত উল্লেখ কৰা তুলনাৰ আধাৰবোৰ উল্লেখযোগ্য।

1. জাবেদাখন প্রথম প্রবিষ্ঠিৰ (প্রাথমিক প্রবিষ্টি) বহী; খতিয়নখন দ্বিতীয় প্রবিষ্ঠিৰ বহী।
2. জাবেদাখন তাৰিখ অনুযায়ী ৰখা তথ্য/নথিৰ বহী, খতিয়নখন বিশ্লেষণাত্মক তথ্য লিপিবদ্ধ কৰাৰ বাবেহে ব্যৱহাৰ হয়।

3. জাবেদাখন উৎস প্ৰবিষ্টিৰ বহী বাবে, আইনগত প্ৰমাণ হিচাপে খতিয়নতকৈ অধিক গুৰুত্ব পায়।
4. জাবেদাত তথ্য শ্ৰেণীবিভাজনৰ ভিত্তি হ'ল লেনদেন; খতিয়নত তথ্য শ্ৰেণীবিভাজনৰ ভিত্তি হ'ল হিচাপ।
5. জাবেদাত লিপিবদ্ধকৰণৰ প্ৰক্ৰিয়াটোক জাবেদা প্ৰকৰণ (জাবেদা কৰণ) বোলা হয়; খতিয়নত লিপিবদ্ধকৰণৰ প্ৰক্ৰিয়াটোৰ খতিয়নভুক্তকৰণ বোলে।

### *3.5.1. খতিয়ান হিচাপৰ শ্ৰেণীবিভাজন (Classification of Ledger Accounts)*

আমি আগতে পাই আহিছো যে খতিয়ন হিচাপবোৰক পাঁচটা ভাগ কৰা হৈছে, সেইবোৰ হ'ল সম্পত্তি, দেনা, মূলধন, ৰাজহ/আয় আৰু খৰচ/লোকচান এই সকলোবোৰ হিচাপক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি; ভাগ দুটা হ'ল স্থায়ী হিচাপ আৰু অস্থায়ী হিচাপ। সকলো স্থায়ী হিচাপৰ উদ্বত্ত উলিয়াই সেইবোৰক পিছৰ হিচাপ বৰ্ষলৈ লৈ যোৱা হয় (carried forward) হিচাপ বৰ্ষৰ শেষত অস্থায়ী হিচাপবোৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপলৈ স্থানান্তৰিত কৰি সেইবোৰৰ নিষ্পত্তি কৰা হয়। স্থায়ী হিচাপবোৰক উদ্বৃত্ত মিলন পত্ৰত দেখুওৱা হয়। গতিকে সকলো, সম্পত্তি, দেনা আৰু মূলধন হিচাপবোৰ স্থায়ী হিচাপ, আনহাতে ৰাজহ আৰু খৰচ সম্পৰ্কীয় হিচাপবোৰ অস্থায়ী হিচাপ। এই শ্ৰেণীবিভাজন আৰ্থিক বিবৃতিবোৰ প্ৰস্তুত কৰাৰ উলিওৱাৰ ক্ষেত্ৰতো প্ৰাসংগিক।

### 3.6 জাবেদাৰ পৰা খতিয়ানভুক্তিকৰণ (Posting from Journal)

প্ৰাথমিক প্ৰবিষ্টিৰ বহীৰ (জাবেদাৰ) পৰা প্ৰবিষ্টিবোৰ খতিয়নলৈ স্থানান্তৰিত কৰাৰ প্ৰক্ৰিয়াটোক খতিয়ন ভুক্তিকৰণ বোলে। অন্য অৰ্থত এটা হিচাপৰ লগত জড়িত সকলোবোৰ লেনদেন এঠাইত লিপিবদ্ধ কৰি সেইবোৰ অৰ্থবহভাবে নিষ্পত্তি কৰা আৰু হিচাপকৰণৰ প্ৰক্ৰিয়াটোক আগবঢ়াই নিয়াকে ভুক্তিকৰণ বোলে। জাবেদাৰ পৰা খতিয়নলৈ ভুক্তিকৰণ নিৰ্দ্ধাৰণ সময়ৰ মৰে মৰে যেনে, এসপ্তাহত বা এপষেকত বা এমাহৰ অন্তত ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰয়োজন আৰু সুবিধা অনুসৰি কৰা হয়।

জাবেদাৰ পৰা খতিয়নভুক্তিকৰণৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো তলত ব্যাখ্যা কৰা হৈছে।

***প্ৰথম পদক্ষেপ*:** জাবেদাত লিখামতে ডেবিট কৰিব লগীয়া হিচাপটোৰ অৱস্থান খতিয়নত উলিয়াই লোৱা।

***দ্বিতীয় পদক্ষেপ*:** ডেবিট দিশৰ দিনাংক স্তম্ভত লেনদেনৰ তাৰিখতো লিখা।

***তৃতীয় পদক্ষেপ*** ঃ বিৱৰণী স্তম্ভত যিটো হিচাপৰ মাধ্যমেৰে এই হিচাপটো ডেবিট কৰা হৈছে সেইটো হিচাপৰ নামটো লিখা।

উদাহৰণস্বৰূপে আচবাবপত্ৰ নগদ 34,000 টকাত বিক্ৰী হ'ল, এতিয়া নগদ টকা হিচাপৰ ডেবিট দিশটোৰ বিৱৰণী স্তম্ভত, নগদ টকাত আচবাবপত্ৰ বিক্ৰী হোৱা সূচাবলৈ 'আচবাব' বুলি লিখা হ'ব। খতিয়নৰ আচবাব হিচাপৰ ক্ৰেডিট দিশৰ বিৱৰণী স্তম্ভত, নগদ টকা বুলি লিখা হ'ব। জাবেদাত লিপিবদ্ধ হোৱা সকলো প্ৰবিষ্টিৰ ক্ষেত্ৰতেই এই নিয়মটো প্ৰযোজ্য হ'ব।

***চতুৰ্থ পদক্ষেপ*** ঃ জাবেদা পৃষ্ঠা স্তম্ভত জাবেদাৰ পৃষ্ঠা নংটো লিখা আৰু খতিয়নৰ যিটো পৃষ্ঠাত হিচাপটো খোলা হ'ল সেই পৃষ্ঠা নংটো জাবেদাত লিখা।

***পঞ্চম পদক্ষেপ*** ঃ ডেবিট দিশৰ পৰিমাণ স্তম্ভত সংশ্লিষ্ট টকাৰ পৰিমাণটো লিখা।

মনত ৰাখিব লাগে যে হিচাপটো ক্ৰেডিট কৰিবলৈ, ক্ৰেডিট দিশত লিখিব লগীয়া প্ৰবিষ্টিটোও একেটা নিয়ম অনুসৰণ কৰিয়েই লিখা হয়। এটা হিচাপ খতিয়নত মাত্ৰ এবাৰহে খোলা হ'ব আৰু হিচাপটোৰ জড়িত সকলো প্ৰবিষ্টি, হিচাপটোৰ ডেবিট বা ক্ৰেডিট ফালৰ যি ফালে বহিব, সেই ফালেহে লিখা হ'ব।

উদাহৰণত উল্লিখিত বিভিন্ন লেনদেনবোৰ জাবেদাৰ পৰা বিভিন্ন হিচাপলৈ কেনেদৰে খতিয়নভুক্তকৰণ হ'ল চাওঁ আহা

**নগদ টকা হিচাপ**

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | মূলধন | | 5,00,000 | | বেংক | | 4,80,000 |
| | | | | | কলকব্জা | | 10,000 |

**মূলধন হিচাপ**

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | | নগদ টকা | | 5,00,000 |

**বেংক হিচাপ**

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | নগদ টকা | | 4,80,000 | | আচবাব | | 60,000 |

ডেঃ **আচবাব পত্ৰ হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | বেংক | | 60,000 | | | | |

ডেঃ **কলকব্জা হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | নগদ টকা | | 10,000 | | | | |
| | ৰামজী লাল | | 1,15,000 | | | | |

ডেঃ **ৰামজীলাল হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | | কলকব্জা | | 1,15,000 |

ডেঃ **ক্ৰয় হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | চুমিট ট্ৰেডাৰ্চ | | 50,000 | | | | |

ডেঃ **সুমিত ট্ৰেডাৰ্চ হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | | ক্ৰয় | | 55,000 |

ডেঃ **ৰজনী এন্টাৰ প্ৰাইজ হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | বিক্ৰয় | | 35,000 | | | | |

ডেঃ **বিক্ৰয় হিচাপ** ক্ৰেঃ

| দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণী | জা পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | | ৰজনী এন্টাৰপ্ৰাইজ | | 35,000 |

### কি বুজিলা চোৱা - IV

*খালী ঠাই পূৰণ কৰা*

1. ভাড়া পৰিশোধ কৰিবলৈ 8,000 টকাৰ এখন চেক বিলি কৰা হ'ল। —— হিচাপটো ডেবিট কৰা হ'ব।
2. দেনাদাৰৰ পৰা 35,000 টকা আদায় পোৱা হ'ল। —— হিচাপটো ক্ৰেডিট কৰা হ'ব।
3. কাৰ্যালয়ৰ বাবে লেখন সামগ্ৰী নগদ 18,000 টকাৰে কিনা হ'ল। —— হিচাপটো ক্ৰেডিট কৰা হ'ব।
4. নতুন মেচিন ক্ৰয় কৰাৰ কৰাৰ বাবদ 1,70,000 টকাৰ চেক বিলি কৰা হ'ল। —— হিচাপটো ডেবিট কৰা হ'ব।
5. পাওনাদাৰক পৰিশোধ কৰাৰ বাবদ 70,000 টকাৰ চেক বিলি কৰা হ'ল। — হিচাপটো ডেবিট কৰা হ'ব।
6. নষ্ট হোৱা লেখনসামগ্ৰী ঘূৰাই দি 50,000 টকা পোৱা হ'ল। —— হিচাপটো ক্ৰেডিট কৰা হ'ব।
7. বাকীত 65,000 টকাৰ মূল্যৰ সেৱা আগবঢ়োৱা হ'ল। —— হিচাপটো ডেবিট কৰা হ'ব।

***উদাহৰণ - 4***

নিম্নোক্ত লেনদেনবোৰ মেচাৰ্চ মল্লিকা ফেশ্বন হাউচৰ জাবেদাত লিপিবদ্ধ কৰা আৰু প্ৰবিষ্টিবোৰ খতিয়নলৈ হস্তান্তৰ কৰা।

| তাৰিখ | বিৱৰণ | পৰিমাণ টকা |
|---|---|---|
| *2005* | | |
| 4 জুন | নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 2,00,000 |
| 5 জুন | চিণ্ডিকেট বেংকত এটা বেংক হিচাপ খোলা হ'ল | 80,000 |
| 12 জুন | মেচাৰ্চ গুলমোহৰ ফেশ্বন হাউচৰ পৰা বাকীত সামগ্ৰী ক্ৰয় কৰা হ'ল | 30,000 |
| 12 জুন | কাৰ্যালয়ৰ বাবে যন্ত্ৰপাতি কিনাৰ বাবদ চেকেৰে পৰিশোধ কৰা হ'ল | 20,000 |
| 18 জুন | চেকেৰে ভাড়া প্ৰদান কৰা হ'ল | 5,000 |
| 20 জুন | মেচাৰ্চ মোহিত ব্ৰাদাৰ্চক বাকীত সামগ্ৰী বিক্ৰী কৰা হ'ল | 10,000 |
| 22 জুন | নগদ বিক্ৰী | 15,000 |
| 25 জুন | মেচাৰ্চ গুলমোহৰ ফেচন হাউচক নগদ পৰিশোধ দিয়া হ'ল | 30,000 |
| 28 জুন | মেচাৰ্চ মোহিত ব্ৰাদাৰ্চৰ পৰা চেক প্ৰাপ্তি | 10,000 |
| 30 জুন | দৰমহা দিয়া হ'ল | 6,000 |

*সমাধান ঃ*

(i) লেনদেনবোৰৰ লিপিবদ্ধকৰণ

## মল্লিকা ফেশ্বন হাউচৰ বহীত

### জাবেদা

| তাৰিখ | বিৱৰণ | খঃ পৃঃ | ডেবিট পৰিমাণ টকা | ক্ৰেডিট পৰিমাণ টকা |
|---|---|---|---|---|
| 2005<br>5 জুন | নগদ টকাৰ হিচাপ ডেঃ<br>মূলধন হিচাপলৈ<br>(নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল) | | 2,00,000 | 2,00,000 |
| 4 জুন | বেংকৰ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(চিণ্ডিকেট বেংকত এটা বেংক হিচাপ খোলা হ'ল) | | 80,000 | 80,000 |
| 12 জুন | ক্ৰয় হিচাপ ডেঃ<br>গুলমোহৰ ফেশ্বন হাউচ হিচাপলৈ<br>(বাকী সামগ্ৰী কিনা হ'ল) | | 30,000 | 30,000 |
| 12 জুন | যন্ত্ৰপাতিৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(কাৰ্যালয়ৰ বাবে যন্ত্ৰপাতি কিনা হ'ল) | | 20,000 | 20,000 |
| 18 জুন | ভাড়া হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(ভাড়া প্ৰদান কৰা হ'ল) | | 5,000 | 5,000 |
| 20 জুন | মোহিত ব্ৰাদাৰ্চৰ হিচাপ ডেঃ<br>বিক্ৰয় হিচাপলৈ<br>(বাকীত সামগ্ৰী বিক্ৰী কৰা হ'ল) | | 10,000 | 10,000 |
| | মুঠ, আগলৈ | | 3,45,000 | 3,45,000 |

| | | | | |
|---|---|---|---|---|
| | মুঠ, আগৰ পৰা | | 3,45,000 | 3,45,000 |
| 22 জুন | নগদ টকাৰ হিচাপ ডেঃ<br>বিক্ৰয় হিচাপলৈ<br>(নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল) | | 15,000 | 10,000 |
| 25 জুন | গুলমোহৰ ফেশ্বন হাউচ হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(গুলমোহৰ ফেশ্বন হাউচক নগদ টকা পৰিশোধ কৰা হ'ল) | | 30,000 | 30,000 |
| 28 জুন | বেংকৰ হিচাপ ডেঃ<br>মোহিত ব্ৰাদাৰ্চৰ হিচাপলৈ<br>(মোহিত ব্ৰাদাৰ্চৰ পৰা পাবলগীয়া সমুদায় টকা আদায় পোৱা হ'ল) | | 10,000 | 10,000 |
| 30 জুন | দৰমহা হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(দৰমহা দিয়া হ'ল) | | 6,000 | 6,000 |
| | মুঠ | | 4,06,000 | 4,06,000 |

*(ii) খতিয়ন ভুক্তকৰণ*

## নগদ টকাৰ হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 | | | | 2005 | | | টকা |
| 5 জুন | মূলধন | | 2,00,000 | 4 জুন | বেংক | | 80,000 |
| 22 জুন | বিক্ৰয় | | 15,000 | 25 জুন | গুলমোহৰ ফেচন হাউচ | | 30,000 |
| | | | | 30 জুন | দৰমহা | | 6,000 |

## মূলধন হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | 2005 | | | |
| | | | | 5 জুন | নগদ টকা | | 2,00,000 |

### বেংক হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 | | | | 2005 | | | |
| 4 জুন | নগদ টকা | | 80,000 | 12 জুন | যন্ত্ৰপাতি | | 30,000 |
| 28 জুন | মোহিত ব্ৰাদাৰ্চ | | 10,000 | 18 জুন | ভাড়া | | 5,000 |

### ক্ৰয় হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 | | | | | | | |
| 2 জুন | গুলমোহৰ ফেচন হাউচ | | 30,000 | | | | |

### গুলমোহৰ ফেচন হাউচ হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 | | | | 2005 | | | |
| 25 জুন | নগদ টকা | | 30,000 | 12 জুন | ক্ৰয় | | 30,000 |

### যন্ত্ৰপাতি হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 | | | | | | | |
| 12 জুন | বেংক | | 20,000 | | | | |

### ভাড়া হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 | | | | | | | |
| 18 জুন | বেংক | | 5,000 | | | | |

ডেঃ **মোহিত ব্ৰাদাৰ্চ হিচাপ** ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005<br>20 জুন | বিক্ৰয় | | 10,000 | 2005<br>28 জুন | নগদ টকা | | 10,000 |

ডেঃ **বিক্ৰয় হিচাপ** ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | 2005<br>20 জুন<br>22 জুন | মোহিত ব্ৰাদাৰ্চ<br>নগদ টকা | | 10,000<br>15,000 |

ডেঃ **দৰমহা হিচাপ** ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005<br>30 জুন | নগদ টকা | | 6,000 | | | | |

***উদাহৰণ 5***

মেচাৰ্চ টাইম জোনৰ নিম্নোক্ত লেনদেনবোৰৰ জাবেদা প্ৰবিষ্টি দিয়া আৰু সেইবোৰ খতিয়ানভুক্ত কৰা।

| দিনাংক | | বিৱৰণ | পৰিমাণ |
|---|---|---|---|
| 2005 | | | টকা |
| 01, ডিচেম্বৰ | | নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 1,20,000 |
| 02, | ,, | ICICI বেংকত এটা হিচাপ খোলা হ'ল | 40,000 |
| 04, | ,, | নগদ টকাৰে সামগ্ৰী ক্ৰয় কৰা হ'ল | 12,000 |
| 10, | ,, | গাড়ীভাড়া প্ৰদান কৰা হ'ল | 500 |
| 12, | ,, | মেচাৰ্চ লাৰা ইণ্ডিয়াক বাকী সামগ্ৰী বিক্ৰী কৰা হ'ল | 25,000 |
| 14, | ,, | মেচাৰ্চ লাৰা ইণ্ডিয়াৰ পৰা নগদ প্ৰাপ্তি | 10,000 |
| 16, | ,, | মেচাৰ্চ লাৰা ইণ্ডিয়াৰ পৰা সামগ্ৰী ফিৰৎ প্ৰাপ্তি | 3,000 |
| 18, | ,, | ব্যৱসায়িক ব্যয়ৰ বাবদ পৰিশোধ | 700 |

| | | | |
|---|---|---|---|
| 19, | ,, | তাৰানুমৰ পৰা বাকীত সামগ্ৰী ক্ৰয় কৰা হ'ল | 32,000 |
| 20, | ,, | মেচাৰ্চ লাৰা ইণ্ডিয়াৰ পৰা শেষ নিষ্পত্তি হিচাপে (final settlement) চেক পোৱা হ'ল আৰু চেকখন একেদিনাই বেংকত জমা দিয়া হ'ল | 11,500 |
| 22, | ,, | তাৰানুমক সামগ্ৰী ফিৰাই দিয়া হ'ল | 1,500 |
| 24, | ,, | লেখন সামগ্ৰীৰ বাবদ পৰিশোধ | 1,200 |
| 26, | ,, | তাৰানুমক চেকেৰে পৰিশোধ কৰা হ'ল | 20,000 |
| 28, | ,, | চেকেৰে ভাড়া পৰিশোধ | 4,000 |
| 29, | ,, | ব্যক্তিগত ব্যৱহাৰৰ বাবে নগদ টকা আহৰণ কৰা হ'ল | 10,000 |
| 30, | ,, | নগদ বিক্ৰী | 12,000 |
| 31, | ,, | মেচাৰ্চ ৰূপক ট্ৰেডাৰ্চ সামগ্ৰী বিক্ৰী কৰা হ'ল | 11,000 |

## টাইম জোনৰ বহীত

### জাবেদা

| দিনাংক | বিৱৰণ | খঃ পৃঃ | ডেবিট পৰিমাণ টকা | ক্ৰেডিট পৰিমাণ টকা |
|---|---|---|---|---|
| 2005 | | | | |
| 01, ডিচেম্বৰ | নগদ টকা হিচাপ ডেঃ | | 1,20,000 | |
| | মূলধন হিচাপলৈ | | | 1,20,000 |
| | (নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল) | | | |
| 02, ,, | বেংক হিচাপ ডেঃ | | 40,000 | |
| | নগদ টকা হিচাপলৈ | | | 40,000 |
| | (ICICI বেংকত এটা হিচাপ খোলা হ'ল) | | | |
| 04, ,, | ক্ৰয় হিচাপ ডেঃ | | 12,000 | |
| | নগদ টকা হিচাপলৈ | | | 12,000 |
| | (নগদ টকাৰে সামগ্ৰী ক্ৰয় কৰা হ'ল) | | | |
| 10, ,, | গাড়ীভাড়া হিচাপ ডেঃ | | 500 | |
| | নগদ টকাৰ হিচাপলৈ | | | 500 |
| | (গাড়ীভাড়া প্ৰদান) | | | |
| | মুঠ, আগলৈ | | 1,72,500 | 1,72,500 |

| | | | | | |
|---|---|---|---|---|---|
| | | মুঠ, আগৰ পৰা | | 1,72,500 | 1,72,500 |
| 12, | ,, | লাৰা ইণ্ডিয়া হিচাপ ডেঃ<br>বিক্ৰয় হিচাপলৈ<br>(বাকীত সামগ্ৰী বিক্ৰী কৰা হ'ল) | | 25,000 | 25,000 |
| 14, | ,, | নগদ টকা হিচাপ ডেঃ<br>লাৰা ইণ্ডিয়া হিচাপলৈ<br>(লাৰা ইণ্ডিয়াৰ পৰা নগদ প্ৰাপ্তি) | | 10,000 | 10,000 |
| 16, | ,, | বিক্ৰয় ফিৰৎ হিচাপ ডেঃ<br>লাৰা ইণ্ডিয়া হিচাপলৈ<br>(লাৰা ইণ্ডিয়া সামগ্ৰী ফিৰৎ দিয়াৰ বাবেদ) | | 3000 | 3000 |
| 18, | ,, | ব্যৱসায়িক ব্যয় হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(ব্যৱসায়িক ব্যয়ৰ বাবদ নগদ টকা প্ৰদান) | | 700 | 700 |
| 19, | ,, | ক্ৰয় হিচাপ ডেঃ<br>তাৰানুমৰ হিচাপলৈ<br>(বাকীত সামগ্ৰী ক্ৰয়) | | 32,000 | 32,000 |
| 20, | ,, | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>লাৰা ইণ্ডিয়া হিচাপলৈ<br>(শেষ নিষ্পত্তি হিচাপে চেক প্ৰাপ্তিৰ বাবদ) | | 11,500<br>500 | 12,000 |
| 22, | ,, | তাৰানুমৰ হিচাপ ডেঃ<br>ক্ৰয় ফিৰৎ হিচাপলৈ<br>(তাৰানুমক সামগ্ৰী ফিৰাই দিয়া হ'ল) | | 1,500 | 1,500 |
| 24, | ,, | লেখনসামগ্ৰী হিচাপ ডেঃ<br>নগদ টকাৰ হিচাপলৈ<br>(লেখন সামগ্ৰী ক্ৰয় কৰাৰ বাবদ নগদ প্ৰদান) | | 1,200 | 1,200 |
| 26, | ,, | তাৰানুমৰ হিচাপ ডেঃ<br>বেংক হিচাপলৈ<br>(তাৰানুমক চেক প্ৰদান কৰা হ'ল) | | 20,000 | 20,000 |
| | | মুঠ, আগলৈ | | 2,77,900 | 2,77,900 |

| | | | | | |
|---|---|---|---|---|---|
| | | মুঠ, আগৰ পৰা | | 2,77,900 | 2,77,900 |
| 28, | ,, | ভাড়া হিচাপ ডেঃ | | 4,000 | |
| | | বেংক হিচাপলৈ | | | 4,000 |
| | | (চেকেৰে ভাড়া পৰিশোধ কৰা হ'ল) | | | |
| 29, | ,, | আহৰণ হিচাপ ডেঃ | | 10,000 | |
| | | নগদ টকাৰ হিচাপলৈ | | | 10,000 |
| | | (ব্যক্তিগত ব্যৱহাৰৰ বাবে নগদ টকাৰ আহৰণ কৰা হ'ল) | | | |
| 30, | ,, | নগদ টকাৰ হিচাপ ডেঃ | | 12,000 | |
| | | বিক্ৰয় হিচাপলৈ | | | 12,000 |
| | | (সামগ্ৰী নগদ বিক্ৰীৰ বাবদ) | | | |
| 31, | ,, | ৰূপক ট্ৰেডাৰ্চ হিচাপ ডেঃ | | 11,000 | |
| | | বিক্ৰয় হিচাপলৈ | | | 11,000 |
| | | (বাকীত সামগ্ৰী বিক্ৰী কৰা হ'ল) | | | |
| | | মুঠ | | 3,14,900 | 3,14,900 |

*খতিয়নভুক্তিকৰণ*

**নগদ টকা হিচাপ**

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | 2005 ডিচেম্বৰ | | | |
| 01 | মূলধন | | 1,20,000 | 02 | বেংক | | 40,000 |
| 14 | লাৰা ইণ্ডিয়া | | 10,000 | 04 | ক্ৰয় | | 12,000 |
| 30 | বিক্ৰয় | | 12,000 | 10 | গাড়ী ভাড়া | | 500 |
| | | | | 18 | ব্যৱসায়িক ব্যয় | | 700 |
| | | | | 24 | লেখন সামগ্ৰী | | 1,200 |
| | | | | 29 | আহৰণ | | 1,000 |

## মূলধন হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | 2005 ডিচেম্বৰ 01 | নগদ টকা | | 1,20,000 |

## বেংক হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | 2005 ডিচেম্বৰ | | | |
| 02 | নগদ টকা | | 40,000 | 26 | তাৰানুম | | 20,000 |
| 20 | লাৰা ইণ্ডিয়া | | 11,500 | 28 | ভাড়া | | 4,000 |

## ক্রয় হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | | | | |
| 04 | নগদ টকা | | 12,000 | | | | |
| 19 | তাৰানুম | | 32,000 | | | | |

## গাড়ী ভাড়া হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ 10 | নগদ টকা | | 500 | | | | |

### লাৰা ইণ্ডিয়া হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | 2005 ডিচেম্বৰ | | | |
| 12 | বিক্রয় | | 25,000 | 14 | নগদ টকা | | 10,000 |
| | | | | 16 | বিক্রয় ফিৰৎ | | 3,000 |
| | | | | 20 | বেংক | | 11,500 |
| | | | | | বাট্টা | | 500 |

### বিক্রয় হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | 2005 ডিচেম্বৰ | | | |
| | | | | 12 | লাৰা ইণ্ডিয়া | | 25,000 |
| | | | | 30 | নগদ টকা | | 12,000 |
| | | | | 31 | ৰূপক টেডার্চ | | 11,000 |

### বিক্রয় ফিৰৎ হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | | | | |
| 16 | লাৰা ইণ্ডিয়া | | 3,000 | | | | |

### ব্যৱসায়িক ব্যয় হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | | | | |
| 18 | নগদ টকা | | 700 | | | | |

### তাৰানুম হিচাপ

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | 2005 ডিচেম্বৰ | | | |
| 22 | ক্ৰয় ফিৰৎ | | 1,500 | 19 | ক্ৰয় | | 32,000 |
| 26 | বেংক | | 20,000 | | | | |

### প্ৰদত্ত বাট্টা হিচাপ

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | | | | |
| 20 | লাৰা ইণ্ডিয়া | | 500 | | | | |

### ক্ৰয় ফিৰৎ হিচাপ

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| | | | | 2005 ডিচেম্বৰ | | | |
| | | | | 22 | তাৰানুম | | 1,500 |

### লেখন সামগ্ৰী হিচাপ

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | | | | |
| 24 | নগদ টকা | | 1,200 | | | | |

### ভাড়া হিচাপ

ডেঃ ক্ৰেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ | | | | | | | |
| 28 | বেংক | | 4,000 | | | | |

### আহৰণ হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ 29 | নগদ টকা | | 10,000 | | | | |

### ঋণপক ট্রেডার্চ হিচাপ

ডেঃ ক্রেঃ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ টকা |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ 31 | বিক্রয় | | 11,000 | | | | |

### কি বুজিলা চোৱা— V

শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

1. প্ৰমাণক প্ৰস্তুত কৰা হয় ঃ
   (i) নগদ প্ৰাপ্তি আৰু প্ৰদানৰ বাবে
   (ii) নগদ/বাকী বিক্ৰয়ৰ বাবে
   (iii) নগদ/বাকী ক্ৰয়ৰ বাবে
   (iv) ওপৰত উল্লেখ কৰা আটাইকেইটাৰ বাবে
2. প্ৰমাণক প্ৰস্তুত কৰা হয় ঃ
   (i) লিখিত প্ৰমাণৰ পৰা
   (ii) জাবেদা প্ৰবিষ্টিৰ পৰা
   (iii) খতিয়ন হিচাপৰ পৰা
   (iv) ওপৰত উল্লেখ কৰা আটাইকেইটাৰ পৰা।
3. এটা হিচাপ কিমানটা দিশ থাকে।
   (i) দুটা
   (ii) তিনিটা
   (iii) এটা
   (iv) এইবোৰৰ এটাও নহয়।

4. নগদ টকাত মেচিন ক্ৰয় কৰিলে, কোনটো হিচাপ ডেবিট হ'ব?
   (i) নগদ টকা হিচাপ
   (ii) মেচিন হিচাপ
   (iii) ক্ৰয় হিচাপ
   (iv) এইবোৰৰ এটাও নহয়
5. তলত উল্লেখিত কোনটো শুদ্ধ?
   (i) দেনা = সম্পত্তি + মূলধন
   (ii) সম্পত্তি = দেনা - মূলধন
   (iii) মূলধন = সম্পত্তি - দেনা
   (iv) মূলধন = সম্পত্তি + দেনা
6. মালিকে নগদ টকা আহৰণ কৰিলে, কোনটো হিচাপ ক্ৰেডিট হ'ব?
   (i) আহৰণ হিচাপ।
   (ii) মূলধন হিচাপ।
   (iii) লাভ লোকচান হিচাপ।
   (iv) নগদ টকা হিচাপ।
7. শুদ্ধ বাক্যটো (বিবৃত্তিটো) বিচাৰি উলিওৱা।
   (i) সম্পত্তিৰ হ্ৰাস ডেবিট কৰা হয়।
   (ii) ব্যয়ৰ বৃদ্ধি ক্ৰেডিট কৰা হয়।
   (iii) ৰাজহৰ বৃদ্ধি ডেবিট কৰা হয়।
   (iv) মূলধনৰ বৃদ্ধি ক্ৰেডিট কৰা হয়।
8. যিখন বহীত হিচাপবোৰ (লিখি) ৰখা হয়, সেইখনক ঃ
   (i) নগদ টকাৰ বহী/ ৰোকৰ বহী বোলে।
   (ii) জাবেদা বোলে।
   (iii) ক্ৰয় বহী বোলে।
   (iv) খতিয়ন বোলে।
9. জাবেদাত লেনদেনৰ লিপিবদ্ধকৰণক ঃ
   (i) যোগ কৰা বোলে (Casting)
   (ii) ভুক্তিকৰণ বোলে।
   (iii) জাবেদাকৰণ/জাবেদাপ্ৰকৰণ বোলে।
   (iv) লিপিবদ্ধকৰণ বোলে।

*এই অধ্যায়ত আমি চিনাকি হোৱা মুখ্য পদসমূহ*

*(Key terms introduced in the chapter)*

- উৎস দলিল (Source Documents)
- হিচাপৰ সমীকৰণ (Accounting Equation)
- প্ৰাথমিক প্ৰবিষ্টিৰ বহী (Books of original Entry)
- জাবেদাকৰণ আৰু ভুক্তিকৰণ (Journalising and Posting)
- দ্বৈত প্ৰবিষ্টি হিচাপ ৰক্ষণ (Double Entry Book Keeping)
- ক্ৰেডিট (Credit)
- ডেবিট (Debit)
- হিচাপ (Account)
- খতিয়ন (Ledger)
- জাবেদা (Journal)

***শিকাৰ উদ্দেশ্যসমূহৰ সাৰাংশ***

*(Summary with Reference to Learning Objectives)*

1. *উৎস দলিলৰ অৰ্থ ঃ* বিভিন্ন ব্যৱসায়িক নথিপত্ৰ যেনে, চালান, বিল কেচ মেমো, প্ৰমাণক, যিবোৰে হিচাপৰ বহীত লিপিবদ্ধ হোৱা লেনদেনবোৰৰ ভিত্তি আৰু প্ৰমাণ হিচাপে কাম কৰে (ব্যৱহৃত হয়) সেইবোৰক উৎস দলিল বোলে।

2. *হিচাপৰ সমীকৰণৰ অৰ্থ ঃ* ই সমূহ ডেবিট আৰু ক্ৰেডিটৰ মাজত থকা সমানতাৰ এটা বিবৃত্তি আৰু এইটোৱে ব্যৱসায়ৰ সকলো সম্পত্তিৰ পৰিমাণ যে সদায় ব্যৱসায়টোৰ সকলো দেনা আৰু মূলধনৰ পৰিমাণৰ সমান তাকে সূচায়।

3. *ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়ম ঃ* এটা হিচাপক দুটা ফালত ভাগ কৰা হয়। এটা হিচাপৰ বাওঁফালটোক ডেবিট আৰু সোঁফালটোক ক্ৰেডিট বোলে। এটা হিচাপৰ প্ৰকৃতিৰ ওপৰত ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়মবোৰ নিৰ্ভৰ কৰে। ডেবিট আৰু ক্ৰেডিটে বৃদ্ধি নে হ্ৰাসক প্ৰতিনিধিত্ব কৰিব সেইটো নিৰ্ভৰ কৰে, এটা হিচাপৰ প্ৰকৃতিৰ ওপৰত। এই নিয়মবোৰ সংক্ষেপে তলত দিয়া ধৰণৰ ঃ

| *হিচাপ এটাৰ নাম* | *ডেবিট* | *ক্ৰেডিট* |
|---|---|---|
| সম্পত্তি | বৃদ্ধি | হ্ৰাস |
| দেনা | হ্ৰাস | বৃদ্ধি |
| মূলধন | হ্ৰাস | বৃদ্ধি |
| ৰাজহ | হ্ৰাস | বৃদ্ধি |
| খৰচ | বৃদ্ধি | হ্ৰাস |

4. *প্ৰাথমিক প্ৰবিষ্টিৰ বহী ঃ* লেনদেনবোৰ তাৰিখ অনুযায়ী এই বহীবোৰত লিপিবদ্ধ কৰা হয়। জাবেদাখন বিভিন্ন প্ৰাথমিক প্ৰবিষ্টিৰ বহীৰ এখন। জাবেদাত প্ৰবিষ্টি লিপিবদ্ধকৰণৰ প্ৰক্ৰিয়াটোক জাবেদাকৰণ/জাবেদাপ্ৰকৰণ বোলে।

5. *খতিয়ান ঃ* সকলোবোৰ হিচাপ সন্নিবিষ্ট থকা এখন বহীলৈ প্ৰাথমিক প্ৰবিষ্টিৰ বহীৰ পৰা প্ৰবিষ্টিবোৰ স্থানান্তৰিত কৰা হয়। প্ৰাথমিক প্ৰবৃষ্টিৰ বহীৰ পৰা খতিয়ানলৈ প্ৰবিষ্টিবোৰ স্থানান্তৰ কৰাৰ প্ৰক্ৰিয়াটো ভুক্তিকৰণ/খতিয়ানভুক্তি বোলে।

## *অনুশীলনী*

### *চমু উত্তৰ (Short Answer)*

1. হিচাপকৰণৰ প্ৰক্ৰিয়াটোৰ তিনিওটা মূল পদক্ষেপ উল্লেখ কৰা।
2. উৎস দলিলে আগবঢ়োৱা প্ৰমাণবোৰ হিচাপকৰণৰ বাবে কিয় গুৰুত্বপূৰ্ণ?
3. এটা লেনদেন সৰ্বপ্ৰথমে জাবেদাত নে খতিয়নত লিপিবদ্ধ কৰা উচিত? কিয় লিখা।
4. সমূহ ডেবিট আৰু ক্ৰেডিটক প্ৰথমতে জাবেদা প্ৰবিষ্টিত তালিকাভুক্ত কৰা হয় নেকি? সমূহ ডেবিট বা ক্ৰেডিট ইচ্ছাকৃত নেকি?
5. কিছুমান হিচাপকৰণ পদ্ধতিক কিয় দ্বৈত হিচাপকৰণ পদ্ধতি বোলা হয়?
6. হিচাপ এটাৰ আৰ্হি প্ৰস্তুত কৰা।
7. দেনা আৰু মূলধন দুয়োটাৰ বাবে ডেবিট আৰু ক্ৰেডিট কৰাৰ নিয়মবোৰ একে কিয়?
8. প্ৰবিষ্টিসমূহ হিচাপভুক্ত কৰাৰ সময়ত জাবেদাত লিখিত জাবেদা পৃষ্ঠাৰ নম্বৰবোৰ লিখাৰ উদ্দেশ্য কি?
9. (a) ৰাজহ বৃদ্ধিৰ বাবে (b) ব্যয়ৰ হ্ৰাসৰ বাবে (c) আহৰণ লিপিবদ্ধ কৰিবলৈ (d) মালিকে অনা উপৰঞ্চি মুলধন লিপিবদ্ধ কৰিবলৈ তুমি কি প্ৰবিষ্টি (ডেবিট নে ক্ৰেডিট) কৰিবা।
10. এটা লেনদেনে যদি সম্পত্তি এটাৰ হ্ৰাস ঘটায় সেই হ্ৰাস ডেবিট নে ক্ৰেডিট হিচাপে লিপিবদ্ধ হ'ব? যদি লেনদেনটোৱে এটা দেনাৰ হ্ৰাস ঘটায়, সেই হ্ৰাস ডেবিট নে ক্ৰেডিট হিচাবে লিপিবদ্ধ হ'ব?

### *দীঘলীয়া উত্তৰ (Long Answers)*

1. হিচাপকৰণৰ পদ্ধতিবোৰত লিপিবদ্ধ হোৱা ঘটনাবোৰ আৰু সেই পদ্ধতিবোৰত উৎস দলিলৰ গুৰুত্ব ব্যাখ্যা কৰা।

2. লেনদেনসমূহ বিশ্লেষণ কৰিবলৈ ডেবিট আৰু ক্রেডিট কেনেদৰে ব্যৱহৃত হয় ব্যাখ্যা কৰা।
3. লেনদেনসমূহৰ প্ৰভাববোৰৰ বিষয়ে তথ্য লিপিবদ্ধ কৰিবলৈ হিচাপবোৰ কেনেদৰে ব্যৱহৃত হয় ব্যাখ্যা কৰা।
4. জাবেদাখন কি? কমেও পাঁচটা প্ৰবিষ্টি দেখুৱাই এখন জাবেদাৰ আৰ্হি প্ৰস্তুত কৰা।
5. উৎস দলিল আৰু প্ৰমাণকৰ মাজৰ প্ৰভেদবোৰ দেখুওৱা।
6. হিচাপৰ সমীকৰণ সকলো পৰিস্থিতিতে একে থাকে। এটা উদাহৰণৰ সহায়ত উক্তিটো প্ৰমাণ কৰা।
7. দ্বৈত প্ৰবিষ্টি প্ৰণালীটো এটা ব্যাখ্যাকাৰী উদাহৰণেৰে সৈতে বহলাই লিখা।

## *সাংখিক প্ৰশ্ন*

*লেনদেনৰ বিশ্লেষণ*

1. তলত দিয়া লেনদেনবোৰৰ পৰা হিচাপৰ সমীকৰণ প্ৰস্তুত কৰা।

(a) হৰ্ষাই নগদ 2,00,000 টকাৰে ব্যৱসায় আৰম্ভ কৰিলে।

(b) নমনৰ পৰা নগদ 40,000 টকাৰে পণ্য ক্ৰয় কৰা হ'ল।

(c) 10,000 টকা মূল্যৰ সামগ্ৰী ভানুক 12,000 টকাত বিক্ৰী কৰা হ'ল।

(d) 7000 টকা মূল্যৰ আচবাব পত্ৰ বাকীত ক্ৰয় কৰা হ'ল।

(উত্তৰ ঃ সম্পত্তি = নগদ টকা 1,60,000 + পণ্য 30,000 টকা + দেনাদাৰ 12,000 টকা + আচবাব বাবদ 7000 টকা = 2,09,000 টকা।)

দেনা = পাওনাদাৰ 7000 টকা + মূলধন 2,02,000

= 2,09,000 টকা।)

2. হিচাপৰ সমীকৰণ প্ৰস্তুত কৰা।

(a) কুনালে নগদ 2,50,000 টকাৰে ব্যৱসায় আৰম্ভ কৰিলে।

(b) তেওঁ 35,000 টকাৰে আচবাব পত্ৰ ক্ৰয় কৰিলে।

(c) তেওঁ দস্তুৰিৰ বাবদ 2000 টকা আদায় দিলে।

(d) 40,000 টকা মূল্যৰ সামগ্ৰী ক্ৰয় কৰিলে।

(e) তেওঁ 20,000 টকা মূল্যৰ সামগ্ৰী নগদ 26,000 টকাত বিক্ৰী কৰিলে

(উত্তৰঃ সম্পত্তি = নগদ টকা 2,39,000 +আচবাব পত্ৰ 35,000 টকা + পণ্য 20,000 টকা। দেনা = পাওঁনাদাৰ 40,000 টকা + মূলধন 2,54,000 = 2,94,000 টকা)

3. মোহিতৰ তলত উল্লেখ কৰা লেনদেনবোৰৰ পৰা হিচাপৰ সমীকৰণ প্ৰস্তুত কৰি উলিওৱা।

(a) নগদ 1,75,000 টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল।

(b) ৰেহিতৰ পৰা 50,000 টকা মূল্যৰ সামগ্ৰী কিনা হ'ল।

(c) মনিষক 17,500 টকা মূল্যৰ সামগ্ৰী 20,000 টকাত বাকীত বিক্ৰী কৰা হ'ল।

(d) কাৰ্যালয়ৰ বাবে 10,000 টকাৰ আচবাব পত্ৰ কিনা হ'ল।

(e) সম্পূৰ্ণ আদায় হিচাবে ৰেহিতক নগদ 48,500 টকা প্ৰদান কৰা হ'ল।

(f) মনিষৰ পৰা নগদ 20,000 টকা পোৱা হ'ল।

(g) ভাড়া প্ৰদান কৰা হ'ল 1000 টকা।

(h) ব্যক্তিগত ব্যৱহাৰৰ বাবে নগদ 3,000 টকা আহৰণ কৰা হ'ল।

(সম্পত্তি = নগদ 1,33000 টকা + সামগ্ৰী 32,500 টকা + আচবাব পত্ৰ 10,000 টকা = 1,75,500 টকা দেনা = মূলধন 1,75,500 টকা)

4. তলত উল্লেখ কৰা লেনদেনবোৰ ৰেহিতৰ ঃ

(a) নগদ 1,50,000 টকাৰে ব্যৱসায় আৰম্ভ কৰা-হ'ল।

(b) 40,000 টকা মূল্যৰ যন্ত্ৰপাতি বাকীত ক্ৰয় কৰা হ'ল।

(c) নগদ 20,000 টকাৰে সমগ্ৰী কিনা হ'ল।

(d) ব্যক্তিগত ব্যৱহাৰৰ বাবে 80,000 টকাৰে গাড়ী কিনা হ'ল।

(e) পাওনাদাৰক সম্পূৰ্ণ আদায় হিচাপে 38,000 টকা প্ৰদান কৰা হ'ল।

(f) 5000 টকা মূল্যৰ সামগ্ৰী নগদ 4,500 টকা বিক্ৰী কৰা হ'ল।

(g) ভাড়া হিচাবে 1000 টকা আদায় দিয়া হ'ল।

(h) অগ্ৰিম প্ৰাপ্ত দস্তুৰি 2000 টকা।

হিচাপৰ সমীকৰণ প্ৰস্তুত কৰা আৰু কেনেদৰে লেনদেনবোৰে সম্পত্তি দেনা আৰু মূলধনৰ ওপৰত প্ৰভাৱ পেলাইছে দেখুওৱা।

(উত্তৰ ঃ সম্পত্তি = নগদ 17,500 টকা + যন্ত্ৰপাতি 40,000 টকা + সামগ্ৰী 15,000 টকা = 72,500 টকা। দেনা = দস্তুৰি 2000 টকা + মূলধন 70,500 টকা = 72,500 টকা।)

5. মেচাৰ্চ ৰয়েল ট্ৰেডাৰ্চৰ তলত উল্লেখকৰা লেনদেনবোৰৰ প্ৰভাৱ দেখুওৱাবলৈ হিচাপৰ সমীকৰণ ব্যৱহাৰ কৰা।

| | টকা |
|---|---|
| (a) নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 1,20,000/- |
| (b) নগদ টকাৰে পণ্য ক্ৰয় কৰা হ'ল | 10,000/- |
| (c) ভাড়া বাবদ পোৱা হ'ল | 5,000/- |
| (d) অপ্ৰদত্ত দৰমহা | 2,000/- |
| (e) অগ্ৰিম প্ৰদত্ত বীমা | 1,000/- |
| (f) সুদ পোৱা হ'ল | 700/- |
| (g) নগদ টকাত সামগ্ৰী বিক্ৰী (ক্ৰয়মূল্য 5,000 টকা) | 7,000/- |
| (h) জুইলাগি সামগ্ৰী নষ্ট হ'ল | 500/- |

(উত্তৰ ঃ সম্পত্তি = নগদ 1,22,700 টকা + পণ্য 4,800 টকা + অগ্ৰিম প্ৰদত্ত বীমা 1,000 টকা দেনা = অপ্ৰদত্ত দৰমহা 2,000 টকা + মূলধন 1,26,200 টকা)

6. নিম্নোক্ত লেনদেনবোৰৰ পৰা হিচাপৰ সমীকৰণ প্ৰস্তুত কৰি উলিওৱা।

(a) উদিতে ব্যৱসায় আৰম্ভ কৰিলে

(i) নগদ 5,00,000 টকাৰে

(ii) 1,00,000 মূল্যৰ সামগ্ৰীৰে

(b) নগদ 2,00,000 টকাৰে দালান ক্ৰয় কৰা হ'ল।

(c) হিমানীৰ পৰা 50,000 টকা মূল্যৰ সামগ্ৰী কিনা হ'ল।

(d) আশুক 25,000 টকা মূল্যৰ সামগ্ৰী 36,000 টকাত বিক্ৰী কৰা হ'ল।

(e) 3.000 টকা বীমা প্ৰিমিয়াম আদায় দিয়া হ'ল।

(f) অপ্ৰদত্ত ভাড়া 5000 টকা।

(g) দালানৰ ওপৰত 8000 টকা অবক্ষয় ধাৰ্য্য কৰা হ'ল।

(h) ব্যক্তিগত ব্যৱহাৰৰ বাবে নগদ 20,000 টকা আহৰণ কৰা হ'ল।

(i) অগ্ৰিম প্ৰাপ্ত ভাড়া 5,000 টকা।

(j) হিমানাক নগদ 20,000 টকা পৰিশোধ কৰা হ'ল।

(k) আশুৰ পৰা নগদ 30,000 টকা পোৱা হ'ল।

উত্তৰ ঃ সম্পত্তি = নগদ 2,92,000 টকা + সামগ্ৰী 1,25,000 টকা + ভৱন 1,92,000 টকা + দেনাদাৰ 6000 টকা = 6,15,000 টকা।

দেনা = পাওনাদাৰ 30,000 টকা + অপ্ৰদত্ত ভাড়া 5000 টকা + অগ্ৰিম প্ৰাপ্ত ভাড়া 5000 টকা + মূলধন 5,75,000 টকা 6,15,000 টকা।)

7. হিচাপৰ সামীকৰণৰ মাধ্যমেৰে তলত উল্লেখ কৰা লেনদেনবোৰৰ, সম্পত্তি, দেনা আৰু মূলধনৰ ওপৰত প্ৰভাৱ দেখুওৱা।

| | টকা |
|---|---|
| (a) নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 1,20,000 |
| (b) ভাড়া পোৱা হ'ল | 10,000 |
| (c) অংশপত্ৰত বিনিয়োগ কৰা হ'ল | 50,000 |
| (d) লভ্যাংশ পোৱা হ'ল | 5,000 |
| (e) ৰাগিনাৰ পৰা বাকীত সামগ্ৰী ক্ৰয় কৰা হ'ল | 35,000 |
| (f) ঘৰুৱা খৰচৰ বাবে নগদ খৰচ কৰা হ'ল | 7,000 |
| (g) নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল (মূল্য 10,000 টকা) | 14,000 |
| (h) ৰাগিনীক আদায় দিয়া হ'ল | 35,000 |
| (i) বেংকত জমা দিয়া হ'ল | 20,000 |

(উত্তৰ ঃ সম্পত্তি = নগদ 37,000 টকা + অংশপত্ৰ 50,000 টকা + সামগ্ৰী 25,000 টকা + বেংক 20,000 টকা = 13,2,000 টকা। দেনা = মূলধন 13,2,000 টকা।)

8. তলত দিয়া লেনদেনবোৰে কেনেদৰে হিচাপৰ সমীকৰণক প্ৰভাৱিত কৰিছে দেখুওৱা।

| | টকা |
|---|---|
| (a) মনোজে ব্যৱসায় আৰম্ভ কৰিলে | |
| (i) নগদ টকা | 2,30,000 |
| (ii) সামগ্ৰী | 1,00,000 |
| (iii) দালান | 2,00,000 |
| (b) নগদ টকাৰে সামগ্ৰী কিনিলে | 50,000 |
| (c) সামগ্ৰী বিক্ৰি কৰিলে (মূল্য 20,000 টকা) | 35,000 |

| | |
|---|---|
| (d) ৰাহুলৰ পৰা সামগ্ৰী কিনিলে | 55,000 |
| (e) বৰুণক সামগ্ৰী বিক্ৰি কৰিলে (মূল্য 32,000 টকা) | 60,000 |
| (f) সম্পূৰ্ণ পৰিশোধৰ বাবদ ৰাহুলক আদায় দিলে | 53,000 |
| (g) দৰমহা দিলে | 20,000 |
| (h) সম্পূৰ্ণ আদায় ৰূপে বৰুণৰ পৰা পোৱা হ'ল | 59,000 |
| (i) অপ্ৰদত্ত ভাড়া | 3,000 |
| (j) অগ্ৰিম প্ৰদত্ত প্ৰদত্ত বীমা | 2,000 |
| (k) দস্তুৰি পালে | 13,000 |
| (l) ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰিলে | 20,000 |
| (m) দালানৰ ওপৰত অৱক্ষয় ধাৰ্য্য কৰা হ'ল | 10,000 |
| (n) অতিৰিক্ত মূলধন বিনিয়োগ কৰিলে | 50,000 |
| (o) ৰাখীৰ পৰা সামগ্ৰী কিনিলে | 6,000 |

(উত্তৰ ঃ সম্পত্তি = নগদ 2,42,000 টকা + সামগ্ৰী 143,000 টকা + ভৱন 190,000 টকা + অগ্ৰিম প্ৰদত্ত বীমা 2,000 টকা = 5,77,000 টকা। দেনা = অপ্ৰদত্ত ভাড়া 3,000 টকা + পাওনাদাৰ 10,000 টকা + মূলধন 5,64,000 টকা = 5,77,000 টকা)

মেচাৰ্চ বিপিন ট্ৰেডাৰ্চৰ লেনদেনসমূহ তলত দিয়া ধৰণৰ—
হিচাপৰ সমীকৰণৰ সহায়ত সম্পত্তি, দেনা আৰু মূলধনৰ ওপৰত সেইবোৰৰ প্ৰভাৱ দেখুওৱা ঃ

| টকা | |
|---|---|
| (a) নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 1,25,000 |
| (b) নগদ টকাৰে সামগ্ৰী ক্ৰয় কৰা হ'ল | 50,000 |
| (c) আৰ কে ফাৰ্ণিচাৰৰ পৰা আচবাব পত্ৰ ক্ৰয় কৰা হ'ল | 10,000 |
| (d) পাৰুল ট্ৰেডাৰ্চক সামগ্ৰী বিক্ৰী কৰা হ'ল (7000 টকা মূল্যৰ সামগ্ৰী, বিল নং 5674) | 9,000 |
| (e) ঠেলাভাড়া দিয়া হ'ল | 100 |

(f) সম্পূৰ্ণ আদায়ৰূপে আৰ. কে. ফাৰ্নিচাৰক নগদ আদায় দিয়া হ'ল 9,700

(g) নগদ বিক্ৰী (ক্ৰয় মূল্য 10,000 ) 12,000

(h) ভাড়া পোৱা হ'ল 4,000

(i) ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা হ'ল 3,000

(উত্তৰ ঃ সম্পত্তি = নগদ টকা 78,200 + সামগ্ৰী 33,000 আচবাব পত্ৰ 10,000 + দেনাদাৰ 9,000 টকা = 1,30,200 টকা। দেনা = মূলধন 1,30,200 টকা।)

10. ৰবীয়ে এখন পৰামৰ্শদাতা প্ৰতিষ্ঠান খুলিলে আৰু 2005 চনৰ নৱেম্বৰ মাহত তলত দিয়া লেনদেনসমূহ সম্পূৰ্ণ কৰিলে ঃ

(a) ৰবি কনচাল্টিং নামৰ ব্যৱসায় প্ৰতিষ্ঠানটোত নগদ টকা 4,00,000 আৰু কাৰ্যালয়ৰ সা-সজুলিত 1,50,000 টকা বিনিয়োগ কৰিলে।

(b) মাটি আৰু এটা সৰু কাৰ্যালয় ভবন ক্ৰয় কৰিলে। মাটিখিনিৰ মূল্য 1,50,000 টকা আৰু ভৱনটোৰ মূল্য 3,50,000 টকা। ক্ৰয়মূল্যৰ বাবদ নগদ 2,00,000 টকা আৰু 8,00,000 টকা মূল্যৰ এখন দীৰ্ঘকালীন দলিল পৰিশোধ কৰিলে।

(c) কাৰ্যালয়ৰ বাবে 12,000 টকা মূল্যৰ যাবতীয় সামগ্ৰী বাকীত ক্ৰয় কৰা হ'ল।

(d) ৰবীয়ে নিজৰ মটৰ গাড়ীখনৰ মালিকানা স্বত্ত ব্যৱসায় প্ৰতিষ্ঠানলৈ স্বানান্তৰিত কৰিলে। গাড়ীখনৰ 90,000 টকা মূল্যৰ আছিল।

(e) কাৰ্যালয়ৰ বাবে 30,000 টকা মূল্যৰ অতিৰিক্ত সজুলি বাকীত ক্ৰয় কৰা হ'ল।

(f) কাৰ্যালয়ৰ পৰিচালকক দৰমহা হিচাপে 7,500 টকা দিয়া হ'ল।

(g) গ্ৰাহকক সেৱা আগবঢ়াই 30,000 টকা পোৱা হ'ল।

(h) মাহটোৰ 4,000 টকা পৰিশোধ কৰা হ'ল। বিভিন্ন খৰচৰ বাবাদ

(i) ওপৰৰ (c) ৰ লেনদেনৰ পাওনাদাৰক পৰিশোধ কৰা হ'ল।

(j) 7,000 টকা লিখিত মূল্যৰ সঁজুলি গতাই দি আৰু নগদ 93,000 পৰিশোধ কৰি কাৰ্য্যালয়ৰ বাবে নতুন সঁজুলি কিনা হ'ল।

(k) গ্ৰাহকক 26,000 মূল্যৰ সেৱা আগবঢ়োৱা হ'ল। এই টকাৰ পৰিমাণ 30 দিনৰ ভিতৰত পোৱা হব।

(l) (k) নং লেনদেনৰ পৰা উদ্ভৱ হোৱা গ্ৰাহকৰ পৰা 19,000 টকা পোৱা পোৱা হ'ল।

(m) ৰাবীয়ে ব্যৱসায়ৰ পৰা 20,000 টকা আহৰণ কৰিলে।

ওপৰোক্ত লেনদেনবোৰ বিশ্লেষণ কৰা আৰু তলত দিয়া "T" হিচাপবোৰ প্ৰস্তুত কৰা।

নগদ টকা, গ্ৰাহক, কাৰ্য্যালয়ৰ সামগ্ৰী, মটৰ গাড়ী, দালান, মাটি, মূলধন, আহৰণ, দৰমহা।

*জাবেদা প্ৰকৰণ*

11. হিমাংশুৰ বহীত নিম্নোক্ত লেনদেনবোৰৰ জাবেদা প্ৰবিষ্টি দিয়া।

| | | |
|---|---|---|
| 2005 | | টকা |
| ডিচেম্বৰ 01 | নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 75,000 |
| ডিচেম্বৰ 07 | নগদ টকাৰ সামগ্ৰী ক্ৰয় কৰা হ'ল | 10,000 |
| ডিচেম্বৰ 09 | স্বাতীক সামগ্ৰী বিক্ৰী কৰা হ'ল | 5,000 |
| ডিচেম্বৰ 12 | আচবাবপাত্ৰ ক্ৰয় কৰা হ'ল | 3,000 |
| ডিচেম্বৰ 18 | সম্পূৰ্ণ পৰিশোধৰ বাবে স্বাতীৰ পৰা পোৱা হ'ল | 4,000 |
| ডিচেম্বৰ 25 | ভাড়া প্ৰদান কৰা হ'ল | 1,000 |
| ডিচেম্বৰ 30 | দৰমহা প্ৰদান কৰা হ'ল | 1,500 |

12. তলত দিয়া লেনদেনসমূহৰ মুডিটৰ বহীত জাবেদা প্ৰবিষ্ট দিয়া ঃ

| | | |
|---|---|---|
| 2006 | | টকা |
| জানুৱাৰী 01 | নগদ টকাৰ ব্যৱসায় আৰম্ভ কৰা হ'ল | 1,75,000 |
| জানুৱাৰী 01 | ভৱন ক্ৰয় কৰা হ'ল | 1,00,000 |
| জানুৱাৰী 02 | নগদ টকাৰে সামগ্ৰী ক্ৰয় কৰা হ'ল | 75,000 |
| জানুৱাৰী 03 | ৰমেশক সামগ্ৰী বিক্ৰী কৰা হ'ল | 30,000 |
| জানুৱাৰী 04 | মজুৰি প্ৰদান কৰা হ'ল | 500 |
| জানুৱাৰী 06 | নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল | 10,000 |
| জানুৱাৰী 10 | ব্যৱসায়ৰ খৰচৰ বাবে পৰিশোধ কৰা হ'ল | 700 |
| জানুৱাৰী 12 | ৰমেশৰ পৰা নগদ পোৱা হ'ল আৰু বাট্টা দিয়া হ'ল | 29,500 |
| জানুৱাৰী 14 | সুধিৰৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ'ল . | 500 |
| জানুৱাৰী 18 | ঠেলাভাড়া পৰিশোধ কৰা হ'ল | 27,000 |

| | | |
|---|---|---|
| জানুৱাৰী 20 | ব্যক্তিগত খৰচৰ বাবে আহৰণ কৰা হ'ল | 1,000 |
| জানুৱাৰী 22 | ঘৰুৱা ব্যৱহাৰৰ বাবে সামগ্ৰী ব্যৱস্থাত হ'ল | 2,000 |
| জানুৱাৰী 25 | সুধিৰক পৰিশোধ কৰা হ'ল আৰু বাট্টা পোৱা হ'ল | 26,700 |
| | | 300 |

13. তলত উল্লেখ কৰা লেনদেনবোৰৰ জাবেদা প্ৰবিষ্টি দিয়া

| 2005 | | টকা |
|---|---|---|
| ডিচেম্বৰ 01 | হেমাই নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰিলে | 1,00,000 |
| ডিচেম্বৰ 02 | ষ্টেট বেংক অফ ইণ্ডিয়াত এটা বেংক হিচাপ খোলা হ'ল | 30,000 |
| ডিচেম্বৰ 04 | আশুৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ'ল | 20,000 |
| ডিচেম্বৰ 06 | ৰাহুলক নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল | 15,000 |
| ডিচেম্বৰ 10 | তাৰাৰ পৰা নগদ টকাত সামগ্ৰী ক্ৰয় কৰা হ'ল | 40,000 |
| ডিচেম্বৰ 13 | সুমনক সামগ্ৰী বিক্ৰী কৰা হ'ল | 20,000 |
| ডিচেম্বৰ 16 | সুমনৰ পৰা চেক পোৱা হ'ল | 19,500 |
| | বাট্টা দিয়া হ'ল | 500 |
| ডিচেম্বৰ 20 | আশুক চেকেৰে প্ৰদান কৰা হ'ল | 10,000 |
| ডিচেম্বৰ 22 | চেকেৰে ভাড়া পৰিশোধ কৰা হ'ল | 2,000 |
| ডিচেম্বৰ 23 | বেংকত জমা দিয়া হ'ল | 16,000 |
| ডিচেম্বৰ 25 | পৰিগ্যৰ পৰা যন্ত্ৰপাতি ক্ৰয় কৰা হ'ল | 10,000 |
| ডিচেম্বৰ 26 | ব্যৱসায়িক খৰচ | 2,000 |
| ডিচেম্বৰ 28 | পৰিগ্যক চেকেৰে পৰিশোধ কৰা হ'ল | 10,000 |
| ডিচেম্বৰ 29 | টেলিফোন ব্যয় চেকেৰে পৰিশোধ কৰা হ'ল | 1,200 |
| ডিচেম্বৰ 31 | দৰমহা দিয়া হ'ল | 4,500 |

14. হৰপ্ৰীত ব্ৰাদাৰ্চৰ বহীত তলত দিয়া লেনদেনবোৰৰ জাবেদা প্ৰবিষ্টি দিয়া ঃ

(a) ৰোহিতৰ পৰা পাবলগীয়া 1,000 টকা অনুদ্ধাৰণীয় ঋণ বুলি গণ্য কৰিব লাগে।

(b) 2000 টকা মূল্যৰ সামগ্ৰী মালিকে ব্যৱহাৰ কৰিলে।

(c) 30,000 টকা মূল্যৰ যন্ত্ৰ এটাৰ ওপৰত বছৰি 10% হাৰত দুমাহৰ বাবে অৱক্ষয়

ধাৰ্য কৰিব লাগে।

(d) 1,50,000 মূলধনৰ ওপৰত বছৰি 6% হাৰত 9 মাহৰ বাবে সুদ ধাৰ্য কৰিব লাগে।

(e) ৰাহুল দেউলীয়া হোৱাত তেওঁৰ পৰা পাবলগীয়া 2000 টকাৰ প্ৰতি টকাৰ বিপক্ষে 60 পইচাকৈ তেওঁৰ সম্পত্তিৰ পৰা আদায় পোৱা হ'ল।

15. তলত দিয়া লেনদেনবোৰৰ পৰা জাবেদা প্ৰস্তুত কৰা।

(a) যন্ত্ৰ বহুওৱাৰ বাবদ নগদ 500 টকা আদায় দিয়া হ'ল।

(b) 2000 টকাৰ সামগ্ৰী দান স্বৰূপে দিয়া হ'ল।

(c) 70,000 টকা মূলধনৰ ওপৰত বছৰি 7% হাৰত সুদ ধাৰ্য কৰা হ'ল।

(d) যোৱা বছৰ অনুদ্ধাৰণীয় ঋণ বুলি বাদ দিয়া 1200 টকা পোৱা হ'ল।

(e) 2000 টকাৰ সামগ্ৰী জুইত পুৰি নষ্ট হ'ল।

(f) অপ্ৰদত্ত ঘৰভাড়া 1000 টকা।

(g) আহৰণৰ ওপৰত সুদ 900 টকা।

(h) সুধিৰ কুমাৰে মোক দিবলগীয়া 3,000 টকা দিয়াত অপৰাগ হ'ল। তেওঁ মোক ক্ষতিপূৰণ স্বৰূপে প্ৰতি টকাত 45 পইচাকৈ দিলে।

(i) অগ্ৰিম প্ৰাপ্ত দস্তুৰি 7,000 টকা।

***খতিয়নভুক্তিকৰণ***

16. তলত দিয়া লেনদেনবোৰ জাবেদাত লিপিবদ্ধ কৰা আৰু খতিয়নলৈ হস্তান্তৰ কৰা।

2005

| | | |
|---|---|---|
| নৱেম্বৰ 01 | ব্যৱসায়ৰ আৰম্ভণি কৰা হ'ল | টকা |
| | (a) নগদ টকা | 1,50,000 |
| | (b) সামগ্ৰী | 50,000 |
| নৱেম্বৰ 03 | হৰিশৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ'ল | 30,000 |
| নৱেম্বৰ 05 | নগদ টকাত সামগ্ৰী বিক্ৰী কৰা হ'ল | 12,000 |
| নৱেম্বৰ 08 | নগদ টকাত আচবাব পত্ৰ ক্ৰয় কৰা হ'ল | 5,000 |
| নৱেম্বৰ 10 | হৰিশক পৰিশোধ কৰা হ'ল | 15,000 |
| নৱেম্বৰ 13 | বিভিন্ন খৰচ বাবদ পৰিশোধ কৰা হ'ল | 200 |
| নৱেম্বৰ 15 | নগদ বিক্ৰী | 15,000 |

| | | |
|---|---|---|
| নৱেম্বৰ 18 | বেংকত জমা দিয়া হ'ল | 5,000 |
| নৱেম্বৰ 20 | ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা হ'ল | 1,000 |
| নৱেম্বৰ 22 | সম্পূৰ্ণ পৰিশোধৰ বাবে হৰিশক আদায় দিয়া হ'ল | 14,000 |
| নৱেম্বৰ 25 | নিতেশক সামগ্ৰী বিক্ৰী কৰা হ'ল | 7,000 |
| নৱেম্বৰ 26 | ঠেলা ভাড়াৰ বাবদ দিয়া হ'ল | 200 |
| নৱেম্বৰ 27 | ঘৰভাড়া পৰিশোধ কৰা হ'ল | 1,500 |
| নৱেম্বৰ 29 | নিতেশৰ পৰা নগদ পোৱা হ'ল | 6,800 |
| | বাট্টা দিয়া হ'ল | 200 |
| নৱেম্বৰ 30 | দৰমহা দিয়া হ'ল | 3,000 |

7. নিম্নোক্ত লেনদেনবোৰৰ মেচাৰ্চ গোয়েল ব্ৰাদাৰ্চৰ বহীত জাবেদা প্ৰবিষ্ট দিয়া আৰু সেইবোৰক খতিয়নলৈ হস্তান্তৰ কৰা।

| 2006 | | টকা |
|---|---|---|
| জানুৱাৰী 01 | নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 1,65,000 |
| জানুৱাৰী 02 | পাঞ্জাব ন্যাচানাল বেংকত এটা বেংক হিচাপ খোলা হ'ল | 80,000 |
| জানুৱাৰী 04 | তাৰাৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ'ল | 22,000 |
| জানুৱাৰী 05 | নগদ টকাৰে সামগ্ৰী ক্ৰয় কৰা হ'ল | 30,000 |
| জানুৱাৰী 08 | নমনক সামগ্ৰী বিক্ৰী কৰা হ'ল | 12,000 |
| জানুৱাৰী 10 | তাৰাক নগদ পৰিশোধ কৰা হ'ল | 22,000 |
| জানুৱাৰী 15 | নমনৰ পৰা নগদ প্ৰাপ্তি | 11,700 |
| | বাট্টা দিয়া হ'ল | 300 |
| জানুৱাৰী 16 | মজুৰি বাবদ পৰিশোধ কৰা হ'ল | 200 |
| জানুৱাৰী 18 | কাৰ্য্যালয়ৰ বাবে আচবাব পত্ৰ ক্ৰয় কৰা হ'ল | 5,000 |
| জানুৱাৰী 20 | ব্যক্তিগত ব্যৱহাৰৰ বাবে বেংকৰ পৰা আহৰণ কৰা হ'ল | 4,000 |
| জানুৱাৰী 22 | ঘৰ ভাড়াৰ বাবদ চেক প্ৰদান কৰা হ'ল | 3,000 |
| জানুৱাৰী 23 | ঘৰুৱা ব্যৱহাৰৰ বাবে ব্যৱসায়ৰ পৰা সামগ্ৰী নিয়া হ'ল | 2,000 |

| | | |
|---|---|---|
| জানুৱাৰী 24 | ব্যৱসায়ৰ বাবে বেংকৰ পৰা নগদ টকা আহৰণ কৰা হ'ল | 6,000 |
| জানুৱাৰী 26 | দস্তুৰি পোৱা হ'ল | 1,000 |
| জানুৱাৰী 27 | বেংকৰ ভৰণি | 200 |
| জানুৱাৰী 28 | বীমা প্ৰিমিয়ামৰ বাবদ চেক দিয়া হ'ল | 3000 |
| জানুৱাৰী 29 | দৰমহা দিয়া হ'ল | 7,000 |
| জানুৱাৰী 30 | নগদ বিক্ৰী | 10,000 |

18. মেৰ্চাচ মোহিত ট্ৰেডাৰ্চৰ বহীত নিম্নোক্ত লেনদেনবোৰ জাবেদা প্ৰবিষ্টি দিয়া আৰু সেইবোৰক খতিয়নলৈ হস্তান্তৰ কৰা।

| 2005 | | টকা |
|---|---|---|
| আগষ্ট 01 | নগদ টকাৰে ব্যৱসায়ৰ আৰম্ভণি | 1,10,000 |
| আগষ্ট 02 | H.D.F.C ৱেংকত এটা বেংক হিচাপ খোলা হ'ল | 50,000 |
| আগষ্ট 03 | আচবাব পত্ৰ ক্ৰয় কৰা হ'ল | 20,000 |
| আগষ্ট 07 | মেচাৰ্চৰূপা ট্ৰেডাৰ্চৰ পৰা কিনা হ'ল | 30,000 |
| আগষ্ট 08 | মেচাৰ্চ হেমা ট্ৰেডাৰ্চৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ'ল | 42,000 |
| আগষ্ট 10 | নগদ টকাত সামগ্ৰী বিক্ৰী | 30,000 |
| আগষ্ট 14 | মেচাৰ্চ গুপ্তা ট্ৰেডাৰ্চক বাকীত বিক্ৰী কৰা হ'ল | 12,000 |
| আগষ্ট 16 | ঘৰ ভাড়া পৰিশোধ কৰা হ'ল | 4,000 |
| আগষ্ট 18 | ব্যৱসায়িক খৰচৰ বাবদ পৰিশোধ কৰা হ'ল | 1,000 |
| আগষ্ট 20 | গুপ্তা ট্ৰেডাৰ্চৰ পৰা পোৱা হ'ল | 12,000 |
| আগষ্ট 22 | হেমা ট্ৰেডাৰ্চলৈ সামগ্ৰী ঘূৰাই পঠিওৱা হ'ল | 2,000 |
| আগষ্ট 23 | হেমা ট্ৰেডাৰ্চক নগদ দিয়া হ'ল | 40,000 |
| আগষ্ট 25 | ডাকটিকট কিনা হ'ল | 100 |
| আগষ্ট 30 | ঋষভক দৰমহা দিয়া হ'ল | 4,000 |

19. নিম্নোক্ত লেনদেনবোৰ মেৰ্চাচ ভানু ট্ৰেডাৰ্চৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু সেইবোৰৰ খতিয়নলৈ স্থানান্তৰ কৰা।

| 2005 | | টকা |
|---|---|---|
| ডিচেম্বৰ 01 | নগদ টকাৰে ব্যৱসায়ৰ আৰম্ভণি | 92,000 |
| ডিচেম্বৰ 02 | বেংকত জমা দিয়া হ'ল | 60,000 |
| ডিচেম্বৰ 04 | হিমানীৰ পৰা বাকীত সামগ্ৰী ক্ৰয় কৰা হ'ল | 40,000 |
| ডিচেম্বৰ 06 | নগদ টকাত সামগ্ৰী ক্ৰয় | 20,000 |
| ডিচেম্বৰ 08 | হিমানাক সামগ্ৰী কিৰৎ | 4,000 |
| ডিচেম্বৰ 10 | নগদ বিক্ৰী | 20,000 |
| ডিচেম্বৰ 14 | হিমানীক চেক প্ৰদান কৰা হ'ল | 36,000 |
| ডিচেম্বৰ 17 | মেচাৰ্চ গোয়েল ট্ৰেডাৰ্চক সামগ্ৰী বিক্ৰী কৰা হ'ল | 3,50,000 |
| ডিচেম্বৰ 19 | ব্যক্তিগত ব্যৱহাৰৰ বাবে বেংকৰ পৰা নগদ টকা আহৰণ কৰা হ'ল | 2,000 |
| ডিচেম্বৰ 21 | গোয়েল ট্ৰেডাৰ্চে সামগ্ৰী ফি ৰৎ দিলে | 3,500 |
| ডিচেম্বৰ 22 | বেংকত জমা দিয়া হ'ল | 20,000 |
| ডিচেম্বৰ 26 | গোয়েল ট্ৰেডাৰ্চৰ পৰা নগদ পোৱা হ'ল | 31,500 |
| ডিচেম্বৰ 28 | দানস্বৰূপে সামগ্ৰী প্ৰদান | 2,000 |
| ডিচেম্বৰ 29 | ভাড়া প্ৰদান কৰা হ'ল | 3,000 |
| ডিচেম্বৰ 30 | দৰমহা দিয়া হ'ল | 7,000 |
| ডিচেম্বৰ 31 | নগদ টকাত কাৰ্যালয়ৰ বাবে যন্ত্ৰপাতি কিনা হ'ল | 3,000 |

20. মেচাৰ্চ বিউটি ট্ৰেডাৰ্চৰ বহীত নিম্নোক্ত লেনদেনবোৰৰ জাবেদা প্ৰবিষ্টি। সেইবোৰক খতিয়নলৈ স্থানান্তৰ কৰা।

| 2005 | | টকা |
|---|---|---|
| ডিচেম্বৰ 01 | নগদ টকাৰে ব্যৱসায় আৰম্ভ কৰা হ'ল | 2,00,000 |
| ডিচেম্বৰ 02 | কাৰ্যালয়ৰ বাবে আচবাবপত্ৰ ক্ৰয় কৰা হ'ল | 30,000 |
| ডিচেম্বৰ 03 | চলিত হিচাপ খুলিবলৈ বেংকত জমা দিয়া | 1,00,000 |
| ডিচেম্বৰ 05 | এটা কম্পিউটাৰ ক্ৰয় কৰা হ'ল আৰু চেকেৰে পৰিশোধ কৰা হ'ল। | 25,000 |

| | | |
|---|---|---|
| ডিচেম্বৰ 06 | ৰিতিকাৰ পৰা বাকীত সামগ্ৰী ক্ৰয় কৰা হ’ল | 60,000 |
| ডিচেম্বৰ 08 | নগদ বিক্ৰী | 30,000 |
| ডিচেম্বৰ 09 | কৃষ্ণক বাকীত সামগ্ৰী বিক্ৰী কৰা হ’ল | 25,000 |
| ডিচেম্বৰ 12 | মানসীক হিচাপৰ বাবদ পৰিশোধ কৰা হ’ল | 30,000 |
| ডিচেম্বৰ 14 | ৰিতিকাক সামগ্ৰী ফিৰৎ দিয়া হ’ল | 2,000 |
| ডিচেম্বৰ 15 | নগদ টকাৰে লেখা সামগ্ৰী ক্ৰয় কৰা হ’ল | 3,000 |
| ডিচেম্বৰ 16 | মজুৰি দিয়া হ’ল | 1,000 |
| ডিচেম্বৰ 18 | কৃষ্ণই সামগ্ৰী ফিৰৎ দিলে | 2,000 |
| ডিচেম্বৰ 20 | ৰিতিকাক চেক প্ৰদান | 28,000 |
| ডিচেম্বৰ 22 | হিচাপৰবাবদ কৃষ্ণৰ পৰা পোৱা হ’ল | 15,000 |
| ডিচেম্বৰ 24 | বীমা কিস্তি চেকেৰে পৰিশোধকৰা হ’ল | 4,000 |
| ডিচেম্বৰ 26 | কৃষ্ণৰ পৰা চেকেৰে পোৱা হ’ল | 8,000 |
| ডিচেম্বৰ 28 | চেকেৰে ভাড়া প্ৰদান কৰা হ’ল | 3,000 |
| ডিচেম্বৰ 29 | মিনা ট্ৰেডাৰ্চৰ পৰা বাকীত ক্ৰয় কৰা হ’ল | 20,000 |
| ডিচেম্বৰ 30 | নগদ বিক্ৰী | 14,000 |

21. নিম্নোক্ত লেনদেনবোৰৰ সঞ্জনাৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু সেইবোৰক খতিয়নলৈ হস্তান্তৰ কৰা।

| 2006 | | টকা |
|---|---|---|
| জানুৱাৰী 01 | হাতে নগদ জমা | 6,000 |
| | বেংকত জমা | 55,000 |
| | মজুত সামগ্ৰী | 40,000 |
| | ৰোহন দিবলগীয়া | 6,000 |
| | তৰুণৰ পৰা পাবলগীয়া | 10,000 |
| জানুৱাৰী 03 | কৰুণাক সামগ্ৰী বিক্ৰী কৰা হ’ল | 15,000 |
| জানুৱাৰী 04 | নগদ বিক্ৰী | 10,000 |
| জানুৱাৰী 06 | হেনাক সামগ্ৰী বিক্ৰী কৰা হ’ল | 5,000 |
| জানুৱাৰী 08 | ৰূপালীৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ’ল | 30,000 |

| | | |
|---|---|---|
| জানুৱাৰী 10 | কৰুণাই ফিৰৎ দিলে | 2,000 |
| জানুৱাৰী 14 | কৰুণাৰ পৰা নগদ পোৱা হ'ল | 13,000 |
| জানুৱাৰী 15 | ৰোহনাক চেকেৰে আদায় দিয়া হ'ল | 6,000 |
| জানুৱাৰী 16 | হেনাৰ পৰা নগদ পোৱা হ'ল | 3,000 |
| জানুৱাৰী 20 | তৰুণৰ পৰা চেকেৰে পোৱা হ'ল | 10,000 |
| জানুৱাৰী 22 | হেনাৰ পৰা চেকেৰে পোৱা হ'ল | 2,000 |
| জানুৱাৰী 25 | ৰূপালীক নগদ পৰিশোধ কৰা হ'ল | 18,000 |
| জানুৱাৰী 26 | ঠেলাভাড়া দিয়া হ'ল | 1,000 |
| জানুৱাৰী 27 | দৰমহা দিয়া হ'ল | 8,000 |
| জানুৱাৰী 28 | নগদ বিক্ৰী | 7,000 |
| জানুৱাৰী 29 | ৰূপালীক নগদ আদায় দিয়া হ'ল | 12,000 |
| জানুৱাৰী 30 | ব্যক্তিগত ব্যৱহাৰৰ বাবে সঞ্জানাই সামগ্ৰী নিলে | 4,000 |
| জানুৱাৰী 31 | অন্যান্য খৰচৰ বাবদ পৰিশোধ কৰা হ'ল | 500 |

*কি বুজিলা চোৱাৰ উত্তৰ*

*কি বুজিলা চোৱাৰ - I*

1. (iii), 2. প্ৰকৃত লাভ আৰু অতিৰিক্ত মূলধন বিনিয়োগৰ বাবে মূলধনৰ পৰিমাণ বাঢ়ে আহৰণ আৰু প্ৰকত লোকচানৰ বাবে মূলধন হ্ৰাস হয়, 3. নহ'ব, 4.(ii)

*কি বুজিলা চোৱা - II*

1. নগদ টকাৰ হিচাপ আৰু মূলধন হিচাপ, সম্পত্তি আৰু দেনা সম্পত্তি বাঢ়িছে আৰু দেনাও বাঢ়িছে।
2. ক্ৰয় হিচাপ আৰু ৰমেশৰ হিচাপ; খৰচ আৰু দেনা, খৰচ আৰু দেনা বাঢ়িল।
3. নগদ টকা হিচাপ আৰু বিক্ৰয় হিচাপ, সম্পত্তি আৰু ৰাজহ, সম্পত্তি আৰু ৰাজহ বাঢ়িছে।
4. দৰমহা হিচাপ আৰু নগদ টকাৰ হিচাপ, খৰচ আৰু সম্পত্তি, খৰচ বঢ়িল আৰু সম্পত্তিৰ হ্ৰাস হ'ল।

5. আচবাব পত্ৰৰ হিচাপ আৰু নগদ টকাৰ হিচাপ দুয়োটা সম্পত্তি হিচাপ, এহাতে সম্পত্তি বাঢ়িছে আনহাতে সম্পত্তি হ্ৰাস হৈছে।
6. বেংক ঋণ হিচাপ বেংক হিচাপ, দেনা আৰু সম্পত্তি, দেনা বাঢ়িছে আৰু সম্পত্তিও বাঢ়িছে।
7. সৰিতাৰ হিচাপ আৰু বিক্ৰয়, হিচাপ সম্পত্তি আৰু ৰাজহ, সম্পত্তি বাঢ়িছে আৰু ৰাজহও বাঢ়িছে।
8. ৰমেশৰ হিচাপ আৰু নগদ টকাৰ হিচাপ, দেনা আৰু সম্পত্তি, দেনা হ্ৰাস হ'ল সম্পত্তিও হ্ৰাস হ'ল।
9. ভাড়া হিচাপ আৰু নগদ টকাৰ হিচাপ, খৰচ আৰু সম্পত্তি, খৰচ বৃদ্ধি হ'ল আৰু সম্পত্তি হ্ৰাস হ'ল।

*কি বুজিলা চোৱা - III*

1. (d) 2. (d) 3. (b) 4. (b) 5. (d) 6. (c) 7. (a)

*কি বুজিলা চোৱা - IV*

1. ভাড়া
2. দেনাদাৰ
3. নগদ টকা
4. যন্ত্ৰপাতি
5. পাওনদাৰ
6. লেখন সামগ্ৰী
7. দেনাদাৰ।

*কি বুজিলা চোৱা -V*

1. (iv), 2. (i), 3. (i), 4. (ii), 5. (iii), 6. (iv) 7. (iv) 8. (iv), 9. (iii)